

দিচৈৰ পাৰত ষাঠিটা পদ্যৰ তিনিটা আখৰে ধেমালি

বিয়লি বেলাৰ ৰতৰা

সুনীল কুমাৰ

দিচৈৰ পাৰত ষাঠিটা পদ্যৰ তিনিটা আখৰে ধেমালি

বিয়লি বেলাৰ বতৰা

সুনীল কুমাৰ শইকীয়া

Biyoli Belar Botora - A collection of total sixty poems for children, each word of the poems contains three letters; written by Sunil Kumar Saikia, Published by the staff of Jankhona M.E. School, Kaliani, Jorhat - 108.

ৰচনা : সুনীল কুমাৰ শইকীয়া

প্ৰকাশক : জানখনা মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী

প্ৰথম প্ৰকাশ : ৬ আগষ্ট, ২০২২ চন

মূল্য : ১০০ টকা

ডিটিপি : তৃষ্ণা দাস

বেটুপাত : আমিৰ আলি

মুদ্ৰণ : আৰিফ গ্ৰাফিক্স
বালিগাঁও চাৰিআলি



স্বৰ্গীয় মাধৱ দত্ত

জন্ম ঃ ১৯৫৬ চন   মৃত্যু ঃ ২০০০ চন

১৯৭৭ চনতে প্ৰতিষ্ঠিত জানখনা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক স্বৰ্গীয় মাধৱ দত্তৰ পৱিত্ৰ সোঁৱৰণত।

শ্ৰদ্ধাঞ্জলি

১৯৭৭ — চন জানখনা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠা কাল। বিদ্যালয়খনি গঢ়ি তোলাৰ ক্ষেত্ৰত অকৃত্ৰিম অৰিহণা যোগোৱা মোৰ্ শ্ৰদ্ধাৰ প্ৰয়াত সকল আৰু অকালতে জীৱনৰ মোহ এৰি আমাৰ পৰা আঁতৰি যোৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মই কামনা কৰিছোঁ, যথাস্থানত তেখেত সকল শান্তিৰে থাকি, ত'ৰে পৰাই আমাৰ বিদ্যালয় খনিলৈ নিতে আশিস নিৰ্মালি প্ৰদান কৰক।

কৃতজ্ঞতা

মোৰ অতিকে আদৰৰ, হিয়াৰ আমঠু প্ৰতিজন জানখনা বাসী, আপোনালোকৰ মৰম-চেনেহ, আশিস-প্ৰেৰণাৰে উদ্বুদ্ধ হৈ জীৱনৰ ষাঠিটা বছৰ পূৰ কৰি কৰ্মজীৱনৰ মোখনি মাৰোতে; প্ৰতিটো মূহুৰ্ততে আপোনালোকৰ পৰা লাভ কৰা সহায়-সহযোগিতাৰ ঋণ মই জনমে জনমে পূৰাব নোৱাৰোঁ। আপোনাসৱৰ প্ৰতিজনলৈকে মই মাথো যাচিছোঁ — সেৱা ভৰা কৃতজ্ঞতা লগতে ভৱিষ্যতেও কামনা কৰিম আপোনাসৱৰ শুভ আশিস।

জানখনা মধ্য ইংৰাজী বিদ্যালয়ত যোগদানৰে পৰা বৰ্তমানলৈকে পাই অহা ছাত্ৰ-ছাত্ৰী, সহকৰ্মী শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী সকলৰ ওচৰতো মই কৃজ্ঞতাৰ শৰাই পেলালোঁ।

পুথিখনৰ প্ৰকাশক জানখনা মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোটৰ লগতে পাঠকৰ হাতত তুলি দিয়াৰ সকলো কাম নিখুঁতভাৱে কৰা 'আৰিফ গ্ৰাফিক্স'ৰ প্ৰতিজন কৰ্মকৰ্তালৈ কৃতজ্ঞতা যাচিলোঁ।

সেৱাৰে —

সুনীল কুমাৰ শইকীয়া

জানখনা মধ্য ইংৰাজী বিদ্যালয়

কলিয়নী, যোৰহাট — ১০৮

পাতনি

'বিয়লি বেলাৰ বতৰা' — এখন পদ্যৰ কিতাপ। ইয়াত ওলাব ষাঠিটা কবিতা। নামৰ পৰাই প্ৰত্যেক পদ্যৰে প্ৰতিটো শব্দক সজাই-পৰাই তুলিছোঁ তিনিটা আখৰে। ভাবিছোঁ, প্ৰতিটো শব্দক তিনিটা আখৰে সজাই ষাঠিটা কবিতা সমষ্টি ওলোৱা কিতাপ আমাৰ নিজৰ ভাষাৰ বাহিৰে বিশ্বৰ বেলেগ ভাষাত নোলাব।

বাইশ চনৰ জুলাই মাহৰ পহিলা তাৰিখে জীৱন জোখৰ ষাঠিতা বছৰ পূৰাই, চাকৰি জীৱন সামৰি বিদায় লোৱাৰ পৰতে, নোহোৱা নোপজা ধৰণে, তিনিটা আখৰে শব্দৰ গাঁঠনি সজাই ষাঠিটা কবিতা গোটাই 'বিয়লি বেলাৰ বতৰা' — নামৰ কিতাপ খনেৰে বিশ্বত চমক তোলাৰ ভাবনা কৰিলোঁ। অৰ্থাৎ ইয়াৰ নিচিনা পদ্যৰ কিতাপ বিশ্বত বেলেগ নোলাব যেতিয়া আমাৰ অসম দেশৰ ভাষাই এইটো দিশত প্ৰথম।

গভীৰ প্ৰত্যাশা, ইয়াৰ নিচিনা ষাঠিটা পদ্যৰ কিতাপে চাকৰি কালৰ মোখনি মৰাতো বিৰল, লগতে অসম দেশৰ চেনেহী ভাষাৰ বাহিৰে বেলেগ ভাষাত 'বিয়লি বেলাৰ বতৰা' পুথিৰ সদৃশ বেলেগ এখন নোলাব।

ডক্টৰ বসন্ত কুমাৰ গোস্বামী — তেখেতে কিতাপ খনক মান্যতা প্ৰদান কৰাত, তিনিটা আখৰে প্ৰতিটো শব্দক সজোৱা 'বিদায় বেলাৰ বতৰা' কিতাপে বিশ্বত চমক তোলাতো নিশ্চিত।

— সুনীল কুমাৰ

ডক্টৰ বসন্ত কুমাৰ গোস্বামী
Dr. Basanta Kumar Goswami
Retd. UGC Super Selection Grade Lecturer
and Head of the Deptt. of Assamese
D.C.B.Girls' College, Jorhat
Ex. Genéral Secy, Asam Sahitya Sabha

94352-46509
email:drbkgoswami3@gmail.com

শ্ৰীমতী [illegible] শইকীয়াৰ [illegible] কবিতা সংকলনৰ
পাণ্ডুলিপিখনৰ [illegible]। কবিয়ে [illegible]
[illegible]
[illegible]
[illegible]। কবিতাৰ [illegible]
কবিয়ে [illegible]
[illegible]
[illegible];
[illegible]
[illegible];
[illegible]
[illegible], শ্ৰীমতী শইকীয়াৰ [illegible] হওক,—
[illegible] হওক।

বসন্তকুমাৰ গোস্বামী

ঠিকনা : 'পোহৰ', গৃহ নং ৫৭, সুবাগপুৰ, চোলাধৰা, যোৰহাট-৭৮৫ ০০১

সূচীপত্ৰ

১।	প্ৰথম এঘাৰ আখৰে	—	১
২।	কৰ'না তোমালৈ প্ৰণাম	—	৩
৩।	অকণি অকণি কবিতা আঠোটা	—	৪
৪।	বিভিন্ন জনৰ বিভিন্ন কথাৰে	—	৬
৫।	এমখা অকণি কবিতা	—	৮
৬।	ভেকোৰ ভাবনা	—	১০
৭।	নেযাবি নিশাৰ ভাগত	—	১১
৮।	আধাতে সামৰা বিধান	—	১২
৯।	সকলো খিচিং মিচিং	—	১৪
১০।	পৰুৱা বোৰৰ আদৰ্শ	—	১৬
১১।	প্ৰভুৰে তুলিলে পোতক	—	১৮
১২।	সপোন এটাৰ শেষত	—	১৯
১৩।	কৰ'না কালত গাঁৱৰ বৰ্ণনা	—	২১
১৪।	ধৰিব খোজোতে পলাল	—	২৩

১৫। তিনিটা আখৰে ককাৰ বচন — ২৪
১৬। বাৰটা মাহৰ নামেৰে কবিতা — ২৬
১৭। কৰ'না কলিৰ শেষত — ২৮
১৮। শব্দৰ আবোল-তাবোল — ৩০
১৯। তিনিটা আখৰে বিশেষ শব্দৰে — ৩১
২০। খেতিৰ নিয়ম এতিয়া সলনি — ৩৩
২১। আমাৰ অসম সদায় আপোন — ৩৫
২২। নাহৰ নালৰ লাহনি — ৩৬
২৩। তিনিতা আখৰে সজোৱা টুকুৰা কবিতা — ৩৮
২৪। আনৰ অহিত ঃ ব্যৱস্থা বিহিত — ৪০
২৫। আগতে ঋষিৰ শাপত ... — ৪১
২৬। শালিকা কপৌৰ কথন-মথন — ৪৩
২৭। তিনিও ভকত বুদ্ধিত শকত — ৪৫
২৮। কথাৰ মাজৰ কথাৰে — ৪৭
২৯। বিলৰ পাৰত দৌৰাৰ সন্মান — ৪৮
৩০। মিঠাই পিঠাৰ কাজিয়া — ৫০
৩১। দুয়োৰে কৰিলে ঘটং মটং — ৫১
৩২। এহেৰ তেহেৰ কথাৰে — ৫৩
৩৩। নুবুজা সাঁথৰ কৰ'না — ৫৪
৩৪। বাখৰে কবিতা পঢ়াৰ শেষত — ৫৫
৩৫। ধেকুৰা কুকুৰা শিয়াল কথাটি কৰিবা খিয়াল— ৫৭
৩৬। আলহী নহয় ঘৰৰ মানুহ — ৫৯
৩৭। বিহুটি আমাৰ প্ৰাণৰ — ৬১
৩৮। হুঁচৰি গোৱাৰ শেষত — ৬৩
৩৯। ফাচাং-ফুচুং কবিতা — ৬৪

৪০।	ছাৰৰ গৰ্জন টোপনি বৰ্জন	—	৬৬
৪১।	কুকুৰা-হাঁহৰ কৃতিত্ব	—	৬৮
৪২।	আইক সুঁৱৰি	—	৬৯
৪৩।	অৰঙে দৰঙে ফুৰাৰ খবৰ	—	৭১
৪৪।	বিভিন্ন জনৰ বিভিন্ন কথাৰে	—	৭৩
৪৫।	ডাক্তৰ হোৱাৰ সপোন	—	৭৪
৪৬।	বিভিন্ন জনৰ কথাৰে	—	৭৬
৪৭।	সম্পত্তি দানৰ কাহিনী	—	৭৮
৪৮।	ওলট-পালত — (১)	—	৮০
৪৯।	ওলট-পালট — (২)	—	৮১
৫০।	ওলট-পালট — (৩)	—	৮৩
৫১।	টুকুৰা টুকুৰ কবিতা	—	৮৫
৫২।	অথালি পথালি কবিতা — (১)	—	৮৭
৫৩।	অথালি পথালি কবিতা — (২)	—	৮৯
৫৪।	অথালি পথালি কবিতা — (৩)	—	৯১
৫৫।	অথালি পথালি কবিতা — (৪)	—	৯২
৫৬।	অথালি পথালি কবিতা — (৫)	—	৯৩
৫৭।	অথালি পথালি কবিতা — (৬)	—	৯৫
৫৮।	অথালি পথালি কবিতা — (৭)	—	৯৭
৫৯।	অথালি পথালি কবিতা — (৮)	—	৯৯
৬০।	অথালি পথালি কবিতা — (৯)	—	১০১

প্ৰথম এঘাৰ আখৰে

অমলে অমিতা অকলে অকলে
গুছাই খালেহি চকলা চকলে
দেখিয়ে আহিল অমৰ অকণ
দুয়োকে যাচিলে দুকণ দুকণ।
আঘোণা আহিনা আবেলি আহিল
কেনিও নেচাই আগত বহিল
আহিয়ে দেখিলে আজিৰ সভাত
ভাষণ দিবলৈ উঠিছে প্ৰভাত।
ইৰিণা ইলাচী ইভায়ে ইপিনে
সিপিনে ঘূৰোঁতে দেখিলে বিপিনে
ইয়াৰ পিছত নদীৰ পাৰত
বহিল বিৰিণা বনৰ আঁৰত।
ঈশান ঈশ্বৰী ঈশ্বৰ ঈশানী
শিৱৰ লগতে পাৰ্বতী গোসাঁনী
কামৰ মাজত পূজিলে ঈষৎ
সফল জীৱন ধৰ্মৰ দিশত
উদয় উমাৰ উখনা-উখনি
বিয়পি পৰিল নামনি উজনি
উচিত উত্তৰ উদয়ে নাপায়
উভতি অহাৰ কৰিলে উপায়।
ঊৰ্মিকা ঊষাই ঊনৈছ বছৰে

এদিনো নেথাকি ওচৰে ওচৰে
ঊৰ্মিৰ নিচিনা সোঁতত আতৰি
গ'লেও লৈছিল ফোণত বাতৰি
ঋষভ ঋত্বিক ঋজুৰে ঋকাৰ
লিখোতে বিকৃত হ'বই আকাৰ
ঋজুৰে সদায় কাগজ ভৰাই
ভালকৈ লিখিব সজাই-পৰাই।
এদিন এৰাল এডাল এছাৰি
এধানে ঘৰত ফুৰোতে বিচাৰি
দেখিলে হঠাতে ফুৰিছে চেকুৰি
ভঁৰাল তলত এন্দুৰ একুৰি।
ঐশ্বৰ্য ঐকিক দুয়োটা ঐণিক
হাবিৰ মাজত সোমাব দৈনিক
বন্দুক টোঁৱাই কৰিব চিকাৰ
কিয়নো নিদিব ৰাইজে ধিক্কাৰ?
ওকণী ওমলে ওৰণি ওলমে
ওলাই পৰিব অনতি পলমে
মৰণা মাৰিলে তেনেকৈ দেখোন
এবাৰো নিদিলে মাখনে ওখোন।
ঔষধি গছক ভালকৈ চিনিবা
তেনেকৈ ঔষধ চাইহে কিনিবা
ভালকৈ লিখিবা কেউটা আখৰ
দেখিলে লাগিব যেনিবা বাখৰ।

❖❖❖❖❖❖

কৰ'না তোমালৈ প্ৰণাম

কৰ'না কৰ'না কোভিড কৰ'না
প্ৰথমে আছিলা চীনত
ঘূৰিলা জগৎ পালাহি ভাৰত
পৰিলো দুখৰ দিনত
অনন্ত মহিমা তোমাৰ কৰ'না
অধমে কেনেকৈ বুজিম
অদৃশ্য তোমাৰ দমন মূৰুতি
ভাবিছো কিদৰে পূজিম
তোমাৰ পৰশ নাপাও বুলিয়ে
অবুজ অধম প্ৰজাই
ঘৰত পৰত গধূলি দিনত
ৰাখিছো দূৰত্ব বজাই
ঔষধে তোমাক ভেটিব নোৱাৰে
প্ৰৱেশ কৰাহি গলত
প্ৰেচাৰ চুগাৰ থাকিলে পেলাবা
অথায় সাগৰ জলত
যোৱাতো বছৰে তোমাৰ দৰ্শনে
আমাৰ পেলালে কঁকাল
পুনৰ বহুতে তোমাৰ প্ৰৱেশে
মৰণ লভিলে অকাল

বিশুদ্ধ অন্তৰে মাতিছো কাতৰে
তোমাক দেৱতা কৰ'না
দেহৰ মাজলৈ বেজীতো সুমাই
লভিছো অশেষ প্ৰেৰণা
কিদৰে তোমাক পূজিম কৰ'না
কিদৰে মিনতি জনাম
ঘৰতে সোমাই কাকুতি জনাই
ভাৰস্তে তোমালৈ প্ৰণাম
দুহাত যুৰিছো আশিস মাগিছো
তোমাক কৰোহোঁ কাতৰি
দেৱৰো দেৱতা কৰ'না কোভিড
আপুনি যোৱাগৈ আতৰি

❖❖❖❖❖

অকণি অকণি কবিতা আঠোটা

(১)

বটল এটাত গাখীৰ ভৰালে
ওফন্দি পৰিল মাটিত
কন্টিয়ে দেখিলে থিতাতে আনিলে
বাকিলে কাঁহৰ বাতিত।

(২)

ক'ৰেনো ভতুৰা কুকুৰে ভুকিলে
গৰুৱে ছিঙিলে এৰাল
গৃহস্থ ভদীয়ে গমকে নেপালে
ক'তেনো কাজলী হেৰাল?

(৩)

মৰণা মাৰোতে দুয়োটা গৰুৰে
মোখোৰা লগালে মুখত
ধানৰ এথোক খাবলৈ নেপায়
ঘূৰিল মনৰ দুখত।

(৪)

শিয়ালে বিচাৰি হাঁহৰ মঙহ
গাঁৱলৈ পুৱাতে ওলাল
দেখিয়ে খেদিলে ধেকুৰা কুকুৰে
প্ৰাণৰ কাতৰে পলাল।

(৫)

হাতীৰ পিঠিত পৰুৱা উঠিল
ভাবিলে বগালো পাহাৰ
ফুটনি মাৰোতে দিনৰ দিনটো
কটালে নকৰি আহাৰ।

(৬)

বিলৰ দাঁতিত জুপুকা মাৰিলে
গোটেই দিনৰ ভাগত
হ'লত আবেলি পৰিল বগলী
তামোল গছৰ আগত।

(৭)

এযুতি ব'বলৈ নাদুকী জেঠাই
বহিছে তাঁতৰ পাটত
ইফালে ছাগলী তিনিটা পোৱালি
কুকুৰে খেদিছে বাটত।

(৮)

হাতীৰ পিঠিত উঠিল দেউতা
ওলাল আবেলি পৰত
নগৰ খনেদি এপাক মাৰিব
মাউত পেটুৱা ভৰত।

❖❖❖❖❖❖

বিভিন্ন জনৰ বিভিন্ন কথাৰে

চাপৰ হোৱাৰ কাৰণে তেওঁৰ
নামটো কঁতীয়া ভকত
লোদোৰ-পোদোৰ পথালি কোমোৰা
হাতীৰ নিচিনা শকত।
জন্মৰে পৰাই দীঘল হোৱাৰ
কাৰণে দীঘলী জেঠাই
ডাঁৰিকী নামেৰে মাতিলে তেওঁক
খঙতে থাকিব নেথায়।

কথাত পাকৈত টেলেকা বোলাটো
সেয়েহে কথকী মোমাই
বুলিলে কথকী বলকি বলকি
আহিব ঘৰলৈ সোমাই।
শিয়াল টেঙৰ হেদেম দাইটি
কথাটি নকৰি খিয়াল
লাঠিৰে খেদিব পথাৰে পথাৰে
বুলিব লাগিলে শিয়াল।
কামৰ নামত কূটাও নকটা
জনৰ নামেই ফেদুৱা
খঙৰ ভমক দেখিবা চমক
লাহেকৈ মাতিলে ধদুৱা।
খোজত গহীন বচন বিহীন
খোৱাত পাকৈত জালুক
ভলুকা পেহাই মাৰিহে এৰিব
বুলিব লাগিলে ভালুক।
দেউতা ঈশ্বৰ বোলাটো ভদীক
অতিকে আপোন বুকুৰ
থেকেচি মাৰিব ৰেহাই নিদিব
বুলিলে ভতুৱা কুকুৰ।
বান্দৰ কাউৰী নেউল গাহৰি
কোনোবা জনক মেকুৰী
নামেৰে মাতিলে নিজকে বচাই
পলাব লাগিব চেঁকুৰি।

❖❖❖❖❖

নিশাতে ফুলিলে নিশাতে সৰিলে
শেৱালি দূবৰি বনত
আগলি পাতত পখিলা পৰিলে
আনন্দ লাগিলে মনত। (১)

ডালত ফুলিছে নজৰ কাঢ়িছে
শুৱনি ধৰণ কৰণ
গোন্ধৰ ক্ষেত্ৰত মদাৰ দুখীয়া
যদিও ৰাঙলী বৰণ। (২)

বগাকৈ বগলী উৰিছে বিয়লি
আপোন বাহলৈ পোনাই
উৰিব নোৱাৰি দুহাত মেলিছে
আমাৰ অকণি সোণাই। (৩)

খুলিয়ে খিৰিকী যুৰীয়া শালিকী
দেখিলো চোতাল খনত
উপজি পুৱাতে জগাই দিলেহি
নিয়ৰ ফেনেকি বনত। (৪)

সূৰুযে পুৱাতে পূবৰ আকাশ
হেঙুলী কিৰণে বোলাই
নতুন দিনৰ নতুন প্ৰেৰণা
দিবলৈ আহিল ওলাই। (৫)

নীলাকৈ আকাশ বহল বিশাল
নিশাৰ তৰাৰ সভাত
নবহি সূৰুযে আতৰি নীৰলে
আমালৈ আনিব প্ৰভাত। (৬)

সেউজী পাতেৰে হালিছে বিৰিখ
নীৰলে তলত জিৰাও
মধুৰ স্বৰেৰে আপোন পাহৰা
ডালত পখীৰ আৱাও। (৭)

নদীৰ সোঁতত জাঁজৰি উটিছে
দূৰৈত পাতিছে চাপৰি
তাতেই শুৱনি সেউজী দলিচা
পালেং ধনিয়া বাবৰি। (৮)

পশ্চিম আকাশ ৰঙাকৈ সজায়
সূৰুযে মাগিব বিদায়
সন্ধিয়া নামিব আন্ধাৰে ঢাকিব
নিশাটি সজাব সদায়। (৯)

❖❖❖❖❖

ভেকোৰ ভাবনা

সিদিনা দুপৰ বেলিকা
অকলে পুখুৰী পাৰত
ভেকুলী এটাই ভেকোক
দেখিলে শুকুৰ বাৰত।
ভেকোক ভেকুলী বোপাই
দেখিয়ে সুধিলে কথাটি
উচিত উত্তৰ যাচিবি
দুপৰ বেলাত বোপাতি
মানুহ বিলাক হয়নে
সঁচাকৈ ডাঙৰ পণ্ডিত
আমাৰ সমাজ খনত
হয়নে নহয় বন্দিত ?
আমাৰ ভেকুলী বোৰৰ
সঁচাই বহুত গিয়ান
তহঁত মানুহ বিলাক
মুঠেই নহয় সিয়ান।
ভেকুলী বোপাৰ কথাত
খঙতো দুগুণে চৰিল
থিতাতে ভেকোৰ খঙত
ঘামৰ টোপাল সৰিল।
ভেকুলী বোৰৰ মূৰত
আছেনে অলপ মছলা
সঁচাকৈ তহঁত হয়নে
নহয় ধোদৰ পচলা?
খঙতে ভেকোৱে এবাৰ
প্ৰশ্নটো সুধিয়ে নেৰিলে
বুৰ্বক-গিয়ান বিহীন
শব্দেৰে ক'বলৈ ধৰিলে —
তহঁত বিলাক সঁচাকৈ
মূৰ্খৰ তুলনা বিহীন
আমাৰ মানুহ বোৰৰ
নিচিনা হবিনে গহীন ?
কিয়নো নহম বুলিয়ে
পানীত পৰিল জপং
ভেকুলী পৰাত ভেকোৰ
বুকুত মাৰিলে ধপং।
ভাবিলে ইমান পাতল
কথাতে ভেকুলী বোপাই
নিজকে মাৰিব লাগেনে
গোটেই পুখুৰী কঁপাই।

❖❖❖❖❖

নেযাবি নিশাৰ ভাগত

সঁচাকৈ ইমান পাকৈত উকিল
প্ৰথম কেচতে চোৰটো জিকিল
চোৰৰ নামটো বলেন বৰুৱা
গোটেই খনতে টকাৰ ধৰুৱা
ধৰুৱা কাৰণে বাহিৰ নোলায়
মানুহ দেখিলে দূৰতে পলায়
পত্নীৰ সকলো ডিঙিৰ কাণৰ
টকালৈ সলায় কৰিলে আনৰ
তথাপি পত্নীয়ে নেমাতে মুখেৰে
তাইহে জানিছে কিমান দুখেৰে
নিশাৰ টোপনি চিন্তাত হৰিছে
ছোৱালী ল'ৰাক ডাঙৰ কৰিছে
কষ্টৰ মাজতো সিহঁত হালৰ
দেখিছে সপোন আগলৈ ভালৰ
মাকৰ আশাত পদুম ফুলাই
সিহঁত দুয়োটা আহিছে ওলাই
পঢ়াৰ দিশত জিলিকি উঠিছে
বাপেক চোৰৰো হৃদয় গলিছে
পূৰণ কৰাৰ ইচ্ছাৰে অভাৱ
বলেনে লৈছিল চোৰৰ স্বভাৱ

সিহঁত হালৰ কাৰণে বাপেকে
কেচত জিকিয়ে এৰিলে সোপাকে
উকিল ছাৰক যাচিলে প্ৰণাম
লগতে বুলিলে প্ৰাৰ্থনা জনাম
আপুনি দেউতা সঁচাকৈ মহৎ
চোৰৰ মঙ্গল সাধিলে বৃহৎ
সেয়েহে এদিন ছাৰৰ ঘৰত
প্ৰৱেশ কৰিম কোনোবা পৰত
উকীল অবাক চোৰৰ কথাত
শুনিয়ে ভালকৈ বুজালে হঠাৎ
চোৰৰ কথাত নেপাও আশ্বাস
থিতাতে কেনেকৈ কৰিম বিশ্বাস
কথাটো জনালোঁ সেয়েহে আগত
কদাপি নেযাবি নিশাৰ ভাগত

❖❖❖❖❖❖

আধাতে সামৰা বিধান

বান্দৰ সোমাল ঘৰৰ ভিতৰ
বহিল ভাতৰ পাতত
বটলু আহিল বিজুলী বেগেৰে
ম'হৰ টোকোণ হাতত।

বটলু অহাৰ উমান পায়েই
বান্দৰ আছেগৈ দূৰত
ম'হৰ টোকোন ডালৰ মাৰটো
পৰিল মেকুৰী মূৰত।
ম'হৰ টোকোন ডালৰ মাৰত
মেকুৰী দীঘল দিলত
বতাহী পেহীয়ে চিঞৰি উঠিল
মৰিল মেকুৰী কিলত।
এইটো পাপত উদ্ধাৰ পোৱাৰ
উপায় সোণৰ মেকুৰী
গোপাল দেউৱে ঘটনা শুনিয়ে
থিতাতে পালেহি চেঁকুৰি।
আসন লৈয়েই ঈশ্বৰ সুমৰি
শুনালে শাস্ত্ৰৰ বিধান
এযোৰ সোণৰ মেকুৰী যাচিবা
আকাৰ একোটা উধান।
চাউল মাহৰ লগতে কাপোৰ
কৰাব লাগিব ভোজন
ৰূপৰ পইচা ভক্তিৰে যাচিবা
মৰাটো সমানে ওজন।
ইয়াকে নিদিলে সদায়ে ভুঞ্জিবা
মেকুৰী হত্যাৰ পাপত
তোমাৰ লগতে বংশ সিজিব
এনেটো পাপৰ ভাপত।
গোপাল দেউৰ বিধান শুনিয়ে
বটলু নীৰৱে বহিল

তেনেতে পেহীয়ে প্ৰাণৰ কাতৰে
চিঞৰি চিঞৰি আহিল
গোপাল দেউক শুনালে পেহীয়ে
পাপৰ বিধান ওলাল
মাৰত নমৰি ক'ৰেনো মেকুৰী
থিতাতে আতৰি পলাল।

❖❖❖❖❖

সকলো খিচিং মিচিং

বাচত উঠিল দীঘলা দুৰ্বা
নামিল নিমাতি ঘাটত
লগতে নামিল কেকণ কাকতি
দুয়োৰে চিনাকি বাটত।
ইফালে সিফালে চোৱাৰ পিছতে
উঠিল মিছিন নাৱত
দুয়োৰে আলয় ইমূৰে-সিমূৰে
মাজুলী টটয়া গাঁৱত।
দেখাই শুনাই প্ৰায়েই সমান
আটিল দেহৰ গঠন
যাওঁতে নাৱত নদীৰ মাজত
চলিল কথন মথন।

এজনো নহয় কথাত দুখীয়া
শুনিবা কাহিনী কিমান
দুয়োৰে কাষলৈ সকলো আহিল
নাৱত আছিল যিমান।
মানুহ বোৰলৈ নজৰ পেলাই
কেকণে শুনালে ভকত
এতিয়া খীণালো ডেকাতে আছিলোঁ
হাতীৰ নিচিনা শকত।
বাঘৰ লগত যুঁজিলো এবাৰ
অকলে আবেলি পৰত
নেগুৰ পকাই ৰাখিলো বাঘক
এমাহ পুহিলোঁ ঘৰত।
ইয়াৰ পিছতে দীঘলা ভকতে
কাহিনী কোৱাত লাগিল
নাৱৰ যাত্ৰীও নিজম নিতাল
শুনাত হেঁপাহ জাগিল।
ডেকাতে এদিন ধৰিলোঁ হঠাতে
হাতীৰ শুঁৰত পকাই
অলৰ-অচৰ মখনা গজেন্দ্ৰ
ৰোৱাতে থাকিল কেঁকাই।
কাহিনী শুনিলে নাৱৰ যাত্ৰীয়ে
কৰিলে ফিচিঙা ফিচিং
বুজাই বুজিলে টিপতে হাঁহিলে
সকলো খিচিং মিচিং

❖❖❖❖❖

পৰুৱা বোৰৰ আদৰ্শ

ঘৰৰ মূধত এহালি চৰাই
দেখিলে অকণে দূৰৰ পৰাই।
অকণ আছিল চোতাল খনত
গছকি গছকি দূবৰি বনত।
তেনেতে আহিল ভলুকা কুকুৰ
দেখিয়ে অকণে মাৰিলে চেঁকুৰ।
তেতিয়া বাপেকে ডাঙিলে টোকোন
দেখিলে এইটো ঘৰৰে দেখোন।
ভলুকা কুকুৰে ভুকিলে ঘনাই
থিতাতে বন্ধালে শিকলি অনাই।
অকনে খুৱালে গাখীৰ বাটিত
আছিল পৰুৱা বাটিৰ দাঁতিত।
নেদেখি বগালে ধৰোতে হাতত
তহঁত কিয়নো নাথাক গাঁতত?
খঙতে অকণ গৰজি উঠিল
হাতৰ কামোৰ নহ'ল শিথিল।
ক'বলৈ ধৰিলে গাঁতৰ পৰুৱা
সঁচাই তহঁতি আমাৰ ধৰুৱা।
পালেই আহিবি গাখীৰ মিঠাই
আগুৰি ধৰিবি ইঠাই-সিঠাই।

নকৰ খিয়াল আমাৰ মাতলৈ
সোপাকে টানিবি নিজৰ গাঁতলৈ।
তহঁত বোৰৰ বিষয়ে ককাই
কথাটো কৈছিল অকাই-পকাই
গোটাৰ জাৰৰ দিনত খাবলৈ
যোগাৰ প্ৰেৰণা আমাকো থ'বলৈ।
লগেৰে গোটাৰ নোৱাৰি অকলে
কথাটো নুবুজে মানুহ সকলে।
সঁচাই একতা শকতি পৰম
আদৰ্শ ৰাখিও তহঁত নৰম।
মাউখে উটিও নমৰে পৰুৱা
বুজিলো ককাৰ বচন সাৰুৱা।
যদিও কামুৰি ধৰিছ হাতত
তহঁত আদৰ্শ জীৱন বাটত।
এটাও পৰুৱা অকণে নেমাৰি
লাহেকৈ আনিলে বাটিতো সামৰি
গাঁতলৈ পোনালে গোটেই পৰুৱা
ভিতৰ সোমাল অকণ বৰুৱা।

❖❖❖❖❖

প্ৰভুৱে তুলিলে পোতক

এজোপা কঁঠাল গছৰ তলত
পখৰা মেকুৰী গোপনে ৰ'লত
নিগনি বিলাক গাঁতলৈ সোমাই
চিঞৰি উঠিল আহিছে মোমাই
সিহঁতো বাচিল প্ৰভুৰ কৃপাত
মেকুৰী লুকাল গছৰ শিপাত
ভাবিলে নিগনি ওলাই আহক
সিহঁত মখাৰ ময়েই গ্ৰাহক
গাঁতত সোমাই নিগনি ককাই
শিপাৰ আঁৰত মেকুৰী লুকাই
থাকোতে এবেলা সময় বাগৰে
পখৰা বোপাক ধৰিছে ভাগৰে
গমকে নেপালে আহিল টোপনি
শুনিলে আটায়ে নাকৰ বাজনি
এটাও নিগনি নোলাল তথাপি
তেওঁক বিশ্বাস নকৰে কদাপি
তেনেতে কঁঠাল পৰিল ধুপুচ
থিতাতে পখৰা মেকুৰী বেহুঁচ
দেখিলে ঘটনা নিগনি মখাই
আনন্দ কৰিলে হাঁহিটো ৰখাই

নাহিল ওলাই মেকুৰী চাবলৈ
কঠিন ইয়াৰ মহিমা পাবলৈ
নজৰ কৰিলে দূৰৰে পৰাই
সঁচাকৈ আছেনে নাকটো লৰাই
মনত হেজাৰ সাহস গোটাই
মেকুৰী চালেহি নিগনি এটাই
যেতিয়া মূৰত কঁঠাল পৰিল
তেতিয়া পখৰা মেকুৰী মৰিল
এনেকৈ লুকাই সদাই সদাই
আমাৰ নিগনি কৰিলে এদায়
মনৰ দুখত বচন বুলিলে
প্ৰভূৱে ইয়াৰ পোতক তুলিলে

❖❖❖❖❖

সপোন এটাৰ শেষত

পুৱাতে নগৰ চাবলৈ
মোলোকা ওলাল যাবলৈ
বাৰিষা সেমেকা বতৰ
বিচাৰি থাকোতে মটৰ
দেখিলে এখন বাটত
মোলোকা অবাক মাতত

গাড়ীত নুঠিবা মোলোকা
আগৰ চকাটো সোলোকা
তেনেকৈ কোৱাটো লোমাই
খুৰাৰ সৰুটো মোমাই
ভয়তে নুঠিল গাড়ীত
খঙতে ধৰিলে ডাড়িত
তেনেতে কোনোবা পাকত
মাখিটো পৰিল নাকত
কদাপি নোৱাৰে সাৰিব
খুৰাই মাখিটো মাৰিব
মৰাৰ চিন্তাত বুৰিল
সিফালে মাখিটো উৰিল
মাখিৰে হাৰিল ৰণত
থিৰাং কৰিলে মনত
নগৰ খনলৈ যাবই
হোটেল সোমাই খাবই
উঠিল এখন অটত
বিপদ নহল বাটত
বিচাৰি ইঠাই সিঠাই
খাবলৈ সোমাল মিঠাই
ডাঙৰ ধুনীয়া ডিচত
মিঠাই খোৱাৰ পিছত
বহুত পইচা ভৰিলে
ভুলতো নাভাবি কৰিলে
ভাবোতে ভুলতো খুৰাই

পৰিল মূৰটো ঘূৰাই
দেখিলে দূৰৰ পৰাই
ধৰিলে তিনিটা ল'ৰাই
সিহঁত নহয় আপোন
ভাগিল খুৱাৰ সপোন।।

❖❖❖❖❖❖

কৰ'না কালত গাঁৱৰ বৰ্ণনা

ঘৰতে সোমাই ইটোৱে সিটোৱে
মাৰিছে কথাৰ মৰণা
হাটলৈ বাটলৈ ওলাব নোৱাৰি
যেনিয়ে তেনিয়ে কৰ'না।
গাজনি মাৰিছে ডাৱৰে ঢাকিছে
বাৰিষা কালৰ আকাশ
পশ্চিম দিশত হেঙুলী বৰণ
বিদায়ী সূৰ্যৰ প্ৰকাশ।
বিহুতে আহিল কলীয়া কুলিটি
আহাৰে শাওণে বিনায়
বাৰীৰ আমৰ সোৱাদ ল'বলৈ
ডালত পৰিব দুনাই।
পথাৰে সমাৰে নাঙল নচলে
ঘনাই ঘূৰিছে ট্ৰেক্টৰ

পুৱাতে চহাই কৰিলে এদায়
পথাৰ কেইবা হেক্টৰ।
কঁঠাল লেটেকু আমেৰে ভৰিছে
প্ৰত্যেক ঘৰৰ বাৰীত
পকিছে ড়ালত সৰিছে তলত
বুটলি ৰাখিছে ঢাৰীত।
এনেটো দিনতে গৰম বন্ধৰ
উঠিছে ৰঙৰ জোৱাৰ
গছৰ তলত বুটলি বুটলি
অপাৰ আনন্দ খোৱাৰ।
সাঁতুৰি-নাদুৰি লুতুৰি-পুতুৰি
বোকাৰে-পানীৰে খেলত
আবেলি হ'লেই তামোল খুন্দিম
ককাৰে সাধুৰ মেলত।
কঁঠাল গুটিও জুইত পুৰিম
বুটলি ঢাপৰ ঢেঁকীয়া
পঁইতা ভাতৰ লগত মিলাই
খোৱাৰ সোৱাদ সুকীয়া।
গাঁৱৰ মানুহে দিওঁতে-লওতে
নিলিখে আঙুলি পাবত
ইঘৰে সিঘৰে আদান-প্ৰদান
চেনেহা-চেনেহী ভাবত।

❖❖❖❖❖❖

ধৰিব খোজোতে পলাল

কোনোৱে গোপনে নিওতে নিওতে
গছৰ কঁঠাল ঢুকাল
এদিন সন্ধিয়া দেখিলে চোৰটো
গছৰ আঁৰত লুকাল।
দেখিয়ে ভদীয়ে প্ৰথমে ভাবিলে
লগাও চিঞৰ-বাখৰ
তেনেতে ঘৰৰ দুৱাৰ মুখত
হাজিৰ হ'লহি তীখৰ।
আকাৰে-ইঙ্গিতে ভদীয়ে তীখৰ
সখিক আনিলে সুমাই
চোৰৰ বিষয়ে কওঁতে নীৰৱে
চাকিটো লৈছিল নুমাই।
বাৰীৰ ঢাপৰ কঁঠাল জোপাত
লাগিল সমানে পাতৰ
বহুত মানুহে দৰ্শন কৰিলে
আহোতে-যাওতে বাটৰ।
খোৱাৰ নামত চাওতে চাওতে
লোভৰ পানীহে সৰিল
এটাও কঁঠাল খাবলৈ নেপালো
চোৰৰ হাতত পৰিল।
আজিহে ৰিণিকি ৰিণিকি দেখিলো

চোৰটো সিন্ধিৰ মুখত
সাহস গোটাই ধৰোগৈ বুলিয়ে
দুয়োটি ওলাল জোখত।
দুটাৰ হাতত দুদাল টোকোন
মাৰিব চোৰৰ মূৰত
ইফালে চোৰেও ছিঙিলৈ কঁঠাল
আঁতৰি আছেগৈ দূৰত।
চোৰক দেখাৰ পিছতে আলচ
চোৰেও লভিলে সুযোগ
হাততে পাইয়ো ধৰিব নোৱৰা
জনৰো নুগুছে দুৰ্যোগ।

❖❖❖❖❖

তিনিটা আখৰে ককাৰ বচন

কিনিলি যেতিয়া ভালেই কৰিলি
দেখাত ফপৰা নকৰ বদলি
ককাৰ কথাটি মনত পেলাবি
"সুতিৰী ফেদেলি সুফল কদলি।"
বজাৰ সোমাই পিটিকি মোহাৰি
সামগ্ৰী কিনাৰ আগতে দৰাবি
মাছলৈ গ'লেও হাততে পোৱাটো
"মুচৰি-সামৰি খালৈত ভৰাবি।"

দেখিলে তোমাৰ নিয়াৰ চলেৰে
মৰমে খুৱাব ভাতৰ তপত
গমকে নেপাবা লেৰেলা সাদৰ
"বাহিৰে মৰম ভিতৰে কপট"
পকাৰে সজোৱা ডাঙৰ বঙলা
বিচাৰি পাবানে খেৰৰ বুৰুলি
যেনেকৈ নিমিলে ককাৰ কথাটো
"ইন্দ্ৰৰ সভাত ফেঁচাৰ কুৰুলি।"

অতিকে গভীৰ বুজোৱা পৰত
ককাই শুনাব হয়নে বোপাই
সাঁতোৰা কথাটো মনলৈ নানিবি
"হাতীয়ে মাউতে থাউনি নেপায়।"
নামতো লওতে আগতে ওলাল
তেতিয়া কথাৰ লভিলো উমান
ভেবেলা যদিও লেৰেলা চেপেতা
"আয়ুস মূৰৰ চুলিৰ সমান।"

দৰ্শকে চাপৰি মৰাৰ আশাতে
জাপতো মাৰোতে নগেন পৰিল
সোণৰ নিচিনা ককাৰ বচন
"ম'হলৈ নমৰি যহলৈ মৰিল।"
ওখই দুফুট ভুটীয়া ভোলোং
কথাৰে চটাই পৰ্বত বগোৱা
মানুহে দেখিলে লাহেকৈ শুনাব
"বেঙেনা গছত হাঁকুটি লগোৱা।"

আজিৰ দিনতো আমাৰ ককাৰ
বচনে সোণত সুৰগা চৰায়
আমিহে নেজানি নুবুজা ভাবেৰে
অমৃত বচন আহিছো লৰাই।

❖❖❖❖❖❖

বাৰটা মাহৰ নামেৰে কবিতা

ব'হাগ মাহত গছৰ ডালত
অলেখ ফুলৰ বাহাৰ
জেঠৰ পিছত মাহৰ লেখেৰে
ভুমুকি মাৰিব আহাৰ।
জেঠত গৰম ইঁচাট-বিচাট
দেহত লাগিব ভাগৰ
গছৰ তলত আৰাম মিলিব
লাহেকৈ মাৰিলে বাগৰ।
কেঁকোৰা নাঙলে বোৱাৰ সলনি
ট্রেক্টৰে পথাৰ শুৱনি
আহাৰে শাওণে কঠীয়া ৰুবলৈ
খেতিত নামিব ৰোৱনী।
ভাদত ভকত কীৰ্তন ঘৰত
বহিব ভদীয়া নামত
ৰ'দৰ তাপত গৰম উঠিব

শৰীৰ তিতিব ঘামত।
আহিন মহীয়া শেৱালী সৰিব
কাতিত তুলসী ৰোপণ
লগতে শাৰদী পূজাৰ কথাটি
মুঠেই নহয় গোপন।
আঘোণ মাহত সোণালী ধানেৰে
পথাৰ থাকিব শুৱাই
পুহৰ শেষত মেজিৰ কাষত
বহিম অগনি পুৱাই।
মাঘত ভোগালী বিহুৰ আনন্দ
লগতে ফাগুন পাবহি
পছোৱা বতাহে বসন্ত অহাৰ
নীৰবে জাননী দিবহি।
খৰাং বতৰ বতাহ মাৰিলে
আৰৰি ধৰিব ধূলিয়ে
চ'তৰ শেষত বিহুৰ জাননী
দিবহি কেতেকী কুলিয়ে।
এনেকৈ মাহৰ প্ৰতিটো দিনৰ
সময়ে চকৰি চলাই
কদাপি নোভতা অনন্ত কাললৈ
বছৰ দিয়েহি সলায়।

❖❖❖❖❖



কৰ'না কলিৰ শেষত

পুৱাৰ পৰত ঘৰৰ বাহিৰ
ওলাল কলীয়া ভকত
ফেদুৱা কাইক দেখিলে বাটত
কথাটি শুনালে পাকত।
অন্যায়-অধৰ্ম বাঢ়িল দেশত
বাইক বচন নমনা
হোৱাৰ কাৰণে অচিন বেমাৰ
দেহলৈ আহিল কৰ'না।
নোহোৱা-নোপোজা এনেনো বেমাৰ
পাবলৈ কঠিন দৰৱ
ইজনে-সিজনে আঁতৰি থকাৰ
ক্ষেত্ৰত সকলো সৰৱ।

মুখত লগোৱা কাপোৰে বনোৱা
কাণত বন্ধাকৈ ঢাকনী।
উশাহো টানিব নির্ভয়ে থাকিব
কৰ'না ভেটাৰ চাকনী।
চাবোন সানিবা দুহাত তিয়াবা
শুকান কাপোৰে মচিবা
ল'বলৈ যাওতে আতৰি থাকিবা
দূৰৰ পৰাই যাচিবা।
প্রজাৰ এনেনো বিলাই বিপত্তি
ৰজাও চিন্তাত পৰিল
বিজ্ঞানী ডাক্তৰ সকলো হাৰিল
চকুৰ টোপনি হৰিল।
নিজকে বচাই ৰাখিবা বোপাই
থাকিবা নপৰি জ্বৰত
দুপৰ বেলাতে সন্ধিয়া নামিব
থিতাতে সোমাবা ঘৰত।
আচল কথাটি মনত ৰাখিবা
কৰ'না কলিৰ শেষত
আহিছে মৰণ অদৃশ্য ৰূপত
জীৱন হৰিছে দেশত।
নাভাবি অনর্থ অধিক সতর্ক
ভাবেৰে থাকিবা সদায়
ইয়াকে শুনাই ফেদুৱা কাইক
ভকতে মাগিলে বিদায়।

❖❖❖❖❖

শব্দৰ আবোল-তাবোল

ধমনা খৰিত মাৰিলে কুঠাৰ
এখন ট্ৰেক্টৰে চহালে পঠাৰ।
বাঁহৰ কাঠীৰে সাজিলে খৰাহী
চাৰিশ টকাত কিনিলে পৰহি।
আঘোণী পেহীয়ে ঘূৰালে যঁতৰ
পেহায়ে নিজৰ চলালে মটৰ।
কেৰেলা নেবেচি মেলেং হাটত
বেচিলে ধনায়ে যাওতে বাটত।
লাগিলে হওঁক ডালৰ বান্দৰী
সজালে-পৰালে লাগিব সুন্দৰী।
কথাতো নকৰে কোনেও খিয়াল
সদায়ে শকত হাবিৰ শিয়াল।
চোবালে পুৰিব কলীয়া জালুক
শিকালে নাচিব নোমাল ভালুক।
টোকোন জোকাৰি খেদিবা কুকুৰ
নেগুৰ পেলাই মাৰিব চেকুৰ।
জোকাৰি পৰাত পাকৈত তগৰী
বাটৰ দাঁতিৰ বালিয়া বগৰী।
কাটিব কাপোৰ জুখিব মিটাৰ
গানৰ লগত বজাব গীটাৰ।
হাবিৰ গছত মেৰাব লতাই

দোষীক ৰজাই আনিব মতাই।
দেহৰ গঠন নহলে আটিল
সেনাৰ নিযুক্তি কৰিব বাতিল।
কাউৰী পৰিলে ঘৰৰ চালত
ৰহদৈ নবহে তাঁতৰ শালত।
চালত লাগিল এমখা কোমোৰা
ৰুৱাত সোমাল কালিন্দী ভোমোৰা।
জ্ঞানৰ কাৰণে পঢ়িবা কিতাপ
দুখীয়া হ'লেও লভিবা খিতাপ।
পানৰ এগুছি একুৰি খিলাই
লিখিলো পদ্যটো মিলাই মিলাই।
আবোল-তাবোল শব্দৰে লগাই
আজৰি পৰত পঢ়িবা ভগাই।

❖❖❖❖❖

তিনিটা আখৰে বিশেষ শব্দৰে

ওখই-পাখই দেহাটি শকত
আমাৰ ভদীয়া 'অময়া ভকত'
পুৱাতে ওলাব চহৰ ফুৰিব
গধূলি বেলিকা ঘৰলৈ ঘূৰিব।
দেখিলে পুখুৰী মাৰিলে বাগৰ
সোমাল নালিয়া 'অথাই সাগৰ'

সাঁতুৰি-নাদুৰি উঠিলে পাৰত
ঠেঁটুৱৈ ধৰিছে পুহৰ জাৰত।
বলদ গৰুৰে পথাৰ চহোৰা
'আকালো নোহোৱা ভঁৰালো নোহোৱা'
আমাৰ গাঁৱৰ মেমন দদাই
শেতেলি এৰিব পুৱাতে সদায়।
চিঞৰি চিঞৰি 'আপদ চোচোৱা'
ঘাপতে কুঠাৰে কৰিলে দোছোৱা
কটাতো তেপুৰ ভতুৱা কুকুৰ
আনটো ভয়তে মাৰিলে চেঁকুৰ।
'ইচাট-বিচাট' কৰিছে তেপুৱে
খিড়িকী ফাঁকেৰে দেখিলে বাপুৱে
পালেগৈ ওচৰ মাতিলে দদাই
তেপুৱে শুনালে সকলো এদাই।
সৰুৰে পৰাই মঘাই খঁকুৱা
হিচাপে-নিকাচে 'ওপৰ চকুৱা'
দুকুৰি টকাৰ হিচাপ নোলায়
বজাৰ কৰোতে নুগুছে বিলাই।
ভালকৈ শিকিলে 'কলীয়া আখৰ'
এতিয়া জিলাৰ হাকিম বাখৰ
লগুৱা-লিকচৌ সদায়ে লগত
মটৰে-বিমানে ফুৰিব জগত।
যদুৰ চেহেৰা 'কলীয়া কানাই'
আন্ধাৰে-মুন্ধাৰে নেদেখা দুনাই
সেয়েহে বেচেৰা নোলায় দিনত

পাৰিলে যাবগৈ থাকিব চীনত।
নদীৰ পানীত সৰুৰে পৰাই
'চিলনী সাতোৰ' শিকিলে তৰাই
এতিয়া থাকিব সাঁতুৰি-নাদুৰি
পাৰৰ দৰ্শক নাদুকী ভাদুৰী।
নাপায় দেশৰ খবৰ বাতৰি
মানুহে দেখিলে থাকিব আতৰি
ঘৰতে খেলিব উকুলি-মুকুলি
দুয়োটা যেনিবা চুঙাৰ বাদুলী।
আনিলো গোটাই শব্দও বিশেষ
লিখোতে কবিতা যতনো অশেষ
এইটো কবিতা তিনিটা আখৰে
পালেই পঢ়িব লাখৰে-বাখৰে।

❖❖❖❖❖

খেতিৰ নিয়ম এতিয়া সলনি

গোটেই পথাৰ খনত ঘূৰিলে
দেখিবা পুৰাৰ কালত
আগৰ নিচিনা চিঞৰি-বাখৰি
কোনেও নধৰে হালত।
পথাৰে-সমাৰে বলদ গৰুক
এৰিলে দিবলৈ এৰাল
হালেৰে পথাৰ চহাই ল'বলৈ
কেঁকোৰা নাঙলো হেৰাল।

হালোৱা গৰুৱে নাঙল টনাৰ
কোনেও নলয় সহায়
বোকাই-পানীয়ে ট্ৰেক্টৰ নামিব
থিতাতে পেলাব চহায়।
কঠীয়া তুলিব মুঠিকৈ বান্ধিব
ভদায়ে তমাল তুলাই
ৰুবৰ কাৰণে দুহাতে আনিব
বোকাত দিবহি বুলাই।

আঘোণ মহীয়া পথাৰ খনলৈ
নালাগে দাৱনী মাতিব
মিছিন আহিব থিতাতে নামিব
ধানৰ গুৰিতে কাটিব।
বলদ হালেৰে মৰণা মৰাৰো
কথাটো হ'লহি অতীত
মিছিনে মাৰিব মিছিনে জাৰিব
পৰিব নিদিয়ে মাটিত।

এথৰ দুথৰ ডাঙৰি বন্ধাৰো
হেৰাল পুৰণি ব্যৱস্থা
যান্ত্ৰিক যুগৰ যন্ত্ৰৰ সহায়ে
কৰিলে আজিৰ অৱস্থা।
যন্ত্ৰৰ যহতে অলপ কষ্টতে
খেতিটো ভালকৈ পাতিম
আঘোণ মহীয়া নতুন চাউল
এসাজ খাবলৈ মাতিম।

❖❖❖❖❖

আমাৰ অসম সদায় আপোন

শকত আৰত গঁঠীয়া গোপাল
এদিন বহুত ভাবিলে গুণিলে
ঘৰত নকলে গোপনে গোপনে
ফুৰাৰ ছলেৰে পালেগৈ নেপাল।
বদনে গধূলি কৰিলে আহাৰ
কাপোৰ-কানিৰে বান্ধিলে টোপোলা
সোমাই ষ্টেচন কাটিলে টিকট
উঠিলে ৰেলত পালেগৈ বিহাৰ।
দৈনিক বাঢ়িছে ঘৰৰ সমস্যা
নেদেখি উপায় নগেন দদায়ে
শেষত কথাটো কৰিলে খাটাং
বাৰশ টকাৰে পালেগৈ উৰিষ্যা।
আগলৈ কদাপি নেখাওঁ কুচিয়া
ভবেনে কৰিলে কঠোৰ প্ৰতিজ্ঞা
অনতি পলমে অসম এৰাৰ
আঁচনি কৰিয়ে পালেগৈ ৰুছিয়া।
সুবিধা পালেই সকলো বিকিম
যেনেকৈ ভাবিলে তেনেকৈ কৰিলে
ভদীক বেচিলে সম্পত্তি লাভত
গাড়ীৰে নদাই পালেগৈ ছিকিম।
কথাৰে চহকী বীৰেণ বপুৰা

হাজাৰ টকাকে বহুত ভাবিলে
কথাটো নকলে লগৰ মখাকো
একেটা নিশাতে পালেগৈ ত্ৰিপুৰা।
কেটেঙা মেটেঙা বেচেৰা লেৰেলা
খাবও নোৱাৰে একাঁহী পূৰাই
পিন্ধনে-উৰণে বিলাতী চাহেব
হঠাতে সিদিনা পালেগৈ কেৰেলা।
নদায়ে বুজালে নেৰিবা অসম
কোনোৱে খঙত এৰিলে এৰক
সময় সাপেক্ষে বুজাই বুজিব
এৰিলে অসম কথাটো বিষম।
আমাৰ অসম সদায়ে আপোন
আতৰি যোৱাৰ নেদেখো সপোন।

❖❖❖❖❖

নাহৰ নালৰ লাহনি

ইফালে লাখৰ সিফালে বাখৰ
মাজতে ৰ'লহি লাহৰ
আহিয়ে ক'লেহি থোলোকে টঙাল
তুলালে কোমল বাঁহৰ।
কেৰল টঙাল তুলায়ে নেথাকে
কাঠীৰে অকাই-পকাই
দৈনিক দুখন নহ'লে এখন

সাজিব ধুনীয়া জকাই।
থোলোক বাঢ়েৰ ঘৰৰ কাষতে
এডৰা ডাঙৰ বাঁহনি
দীঘল পৈণত বাঁহটো আনিলে
সাজিলে এখন লাহনী।
লাহনী সজাৰ শেষত লগালে
নালটো নাহৰ ডালৰ
তেতিয়া পুতেক সিঁচাত লাগিল
পুখুৰী বাৰীৰ ফালৰ।
শুনালে লাহৰে থোলোক বাঢ়েৰ
বিষয়ে লাহনী খনৰ
তেনেতে বাখৰে চিঞৰি জনালে
দুয়োকে কথাটি মনৰ
এতিয়া তহঁতে বেলেগ নেভাবি
ফেনেকি কোমল ঘাঁহনি
মুখেৰে ফুটাই শুনাব লাগিব
নাহৰ নালৰ লাহনি।
অতিকে বেগেৰে ফুটাই মুখেৰে
তিনিটা শব্দক চিঞৰ
আহিন মহীয়া পুৰাতে গছকি
দূবৰি বনৰ নিয়ৰ।
চিঞৰ শুনিব দূৰতে পলাব
আনৰ পাখৰী মেকুৰী
চিঞৰি চিঞৰি শুদ্ধকৈ শুনালে
ভাগিব জিভাৰ কেঁকুৰি।

❖❖❖❖❖

আনৰ অহিত ঃ ব্যৱস্থা বিহিত

কেটেপা এখন হাতত উঠাই
এদিন তীখৰ ল'ৰাই
কটৰ কটৰ মৰাত লাগিল
বাটলু গুটিৰে চৰাই।
খেনোটো মৰিল খেনোটো উৰিল
ডেউকা ভাগিল খেনোৰ
প্ৰাণৰ ভয়ত উৰবি খোজোতে
ঠেঙত লাগিল কোনোৰ।
মাৰোতে মাৰোতে তীখৰে চৰাই
হাবিৰ মাজত সোমাল
তেতিয়া ভয়তে ভাবিলে মনত
ভালুক ওলাব নোমাল।
ইফালে-সিফালে চালতো তীখৰে
উমান নেপালে খোজৰ
নিচেই কাষতে দুবাৰ হঠাতে
শুনিলে বাঘৰ গোঁজৰ।
ভয়তে উঠিল তপত তেজৰ
লহৰ সিৰাই সিৰাই
তেতিয়া তীখৰে প্ৰাণৰ কাতৰে
ঘৰলৈ দৌৰিলে ভিৰাই।

গছৰ মূঢ়াত উজুটি মৰাত
তীখৰ পৰিল খালত
দীঘল দীঘল কাঁইটে বিন্ধিলে
গোটেই দেহৰ ছালত।
তথাপি তীখৰে বহুত কষ্টেৰে
উঠিল সেহাই সেহাই
কেঁকাই - গেঁথাই ঘৰত সোমাল
পূৰ্বৰ ঘটনা দোহাই।
ভাবিলে মনত জীৱন কালত
নিচিনো আনৰ অহিত
পৰৰ অনিষ্ট কৰাৰ ফলত
লভিম ব্যৱস্থা বিহিত।

❖❖❖❖❖

আগতে ঋষিৰ শাপত ...

তপনে ঘৰত নেখায় খিচিৰি
পানীৰ লগত বিচাৰে মিছিৰি।
বাটত দেখিলে এহাল বগলী
সুধিলে তপনে বিললৈ নগলি ?
যদুৰ ঘৰত এপাচি জালুক
তেনেকৈ ৰাখিলে পাবহি ভালুক।
যদুক কথাটো তপনে শুনাই
আনিলে জালুক মোনাই মোনাই।

চহকী ঘৰৰ কলীয়া গোলাম
ডিঙিত জিলিকে গামোচা ফুলাম।
তপনে ভাবিলে আঁজুৰি পেলাম
ইয়াকে নকৰি কৰিলে চালাম।
তথাপি আহিছে বলকি বলকি
বাটত নাচালে কথাটো টলকি।
হঠাতে মাৰিলে শিলত উজুটি
ভৰিৰ গাঁঠিত লাগিল বিজুতি।
ইয়াৰ পিছতে নকৰি পলম
কিনিলে তপনে বিষৰ মলম।
ঘৰত বহিলে উত্তৰ দিশত
সানিলে মলম গাঁঠিৰ বিষত।
তপনে দেখিলে মলম সামৰি
উখহা গাঁঠিটো আহিল জামৰি।
মাটিত লাহেকৈ গোৰোহা পেলালে
তেতিয়া মনত বুদ্ধিতো খেলালে।
সেকিলে আৰাম গাঁঠিৰ বিষত
উতলা পানীয়ে সেকিলে শেষত।
উতলা পানীয়ে বাতিৰ দাঁতিত
সেকোতে ভৰিতো সোমাল বাতিত।
তপন আছিল ঋষিৰ শাপত
হঠাতে পৰিল ধানৰ ভাপত।
উপায় বিহীন তপন ডেকাই
উখহা ভৰিৰে থাকিল কেঁকাই।

❖❖❖❖❖

শালিকা কপৌৰ কথন-মথন

আবেলি বেলিকা এহালি শালিকা
পৰিছে আমৰে ডালত
কপৌৰে দেখিলে লাহেকৈ সুধিলে
দুয়োটি কৰ'না কালত ?

কৰ'না বুলিলে মানুহ বিলাকে
ভয়তে সোমাই ঘৰত
তহঁত দুটাৰ ইমান সাহস
ফুৰিছ আবেলি পৰত।

শালিকা চৰায়ে কপৌক বুজালে
কৰ'না ৰোগৰ কাহিনী
কৰ'না বুলিয়ে ভয়তে পেপুৱা
লাগিছে মানৱ বাহিনী।

আমাৰ চৰাই জাতিৰ কাৰণে
নহয় কৰ'না বিপদ
কুকুৰ-মেকুৰী যতেক জন্তুৰ
বাবেও নহয় সিপদ।

কেৱল মানুহ জাতিক কৰিছে
কৰ'না বেমাৰে বলীয়া
হেঁচুকি ধৰিছে থিতাতে পৰিছে
হইছে যমৰ ফলীয়া।

এনুৱা অচিন কৰ'না বেমাৰ
আগতে নাছিল ধৰাত
সোঁচৰি সোঁচৰি দেহলৈ বিয়পি
মানুহ পৰিছে গৰাত।

ইজনে-সিজনে আঁতৰি আঁতৰি
ভেটিছে বেমাৰ কৰ'না
বাজলৈ ওলালে মুখত বন্ধনী
মাৰিও লভিছে প্ৰেৰণা।

পুনৰ নতুন উদ্যেমে কৰ'না
বিয়পি পৰিছে বায়ুত
চকুৰ টোপনি হৰণ কৰিছে
বিঘিনি ঘটাই আয়ুত।

শালিকা চৰাই উৰিল বাহলৈ
কপৌক কথাটি বুজাই
কপৌৱে ভাবিলে কেতিয়া মুকুতি
লভিব দেশৰ প্ৰজাই।

❖❖❖❖❖

তিনিও ভকত বুদ্ধিত শকত

পুৰাতে ওলাল মেম্বৰ দাইটি
পেটত পঁইতা পেলাই
একেতা বাটেদি যাবলৈ ধৰিছে
সিখন গাঁৱৰ গেলাই।
ওচৰা-উচৰি দুয়োটি হ'লত
মেম্বৰে ধৰিলে ক'বলৈ
পুৱাতে ওলালা কেনিও নাচালা
ক'তনো সকাম খাবলৈ ?
তোমাৰ লগতে আমাকো নিবানে
আহিছোঁ অকলে ওলাই
তামোল এখনি চোবাই চোবাই
মুখত সেলেঙি বোলাই।
গেলাই ককায়ে মেম্বৰ দাইক
থিতাতে একোকে নুবুলি
ক্ষন্তেক ৰওতে দুয়োৰে কাষতে
হাজিৰ হ'লহি বাবুলী।
শিয়াল টেঙৰ তিনিও ভকত
গেলাই মেম্বৰ বাবুলী
গাঁৱৰ মানুহে দেখিলে চিনিব
এজনো নহয় মামুলী।

ইফালে-সিফালে ঘূৰিছে তিনিটা নেউল
কাষতে দেখিছে সিহঁতে গোসাঁনী দেউল।
গছৰ ডালত পৰিছে এহালি শালিকা
দেখিলে আঘোণা ককায়ে দুপৰ বেলিকা।
নিচেই পুৱাতে আহিল অকাই-পকাই
সকাম খাবলৈ পেটুৰা ফেদেলা ককাই।
পুলিচ আহিল এখন মটৰ গাড়ীত
থিতাতে চোৰটো সোমাল বাঁহনী বাৰীত।
পুহায়ে বৰশী পেলালে ডাঁৰিকী কৰালি
গোটেই দিনটো নেপালে এটাও বৰালি।
কবিতা সামৰি বহিলোঁ তিনিটা আখৰে
জোঁটাই জোঁটাই পঢ়িব লাখৰে-বাখৰে।

❖❖❖❖❖

বিলৰ পাৰত দৌৰাৰ সন্মান

শহাই দৌৰিলে কাছৰ লগত
দীঘলী বিলৰ পাৰত
চাবৰ কাৰণে চৰাই বহিল
বিজুলী খুঁটাৰ তাঁৰত।
একেটা দৌৰত কেইবা ফাৰ্লং
আতৰি জিৰালে শহাই

হেঁকেৰ পেকেৰ কাছৰ গমন
কদাপি নেটানে দেহাই।
নিৰ্ভীক মনেৰে বিলৰ পাৰতে
শহাৰ টোপনি আহিল
অলপ পাছতে কাছও পালেহি
ঠাইতে ক্ষন্তেক বহিল।
পলম নকৰি পুনৰ দৌৰিলে
শহাই নেপালে উমান
টোপনি ভগাত দেখিলে শহাই
প্ৰথম হোৱাৰ প্ৰমাণ।
ইমান সময়ে দৌৰিলে কাছই
সীমাত পাতিলে আসন
সেইটো পৰতে তাঁৰৰ চৰায়ে
ধৰিলে নিজৰ ভাষণ
আজিৰ দৌৰত কৰিলে কাছই
প্ৰথম সন্মান দখল
উলহে-মালহে চৰাই বিলাকে
লগালে উখল-মাখল।
শহাই লাজতে কাছক যাচিলে
খিতাপ বিজয়ী হোৱাৰ
পানীত নামোতে উঠিল কাছৰ
মনত ৰঙৰ জোৱাৰ

❖❖❖❖❖

মিঠাই পিঠাৰ কাজিয়া

ব'হাগ বিহুৰ উপজি পুৰাতে
উখনা-উখনি লাগিল
মিঠাই পিঠাৰ কাজিয়া খনত
তিলৰ লাৰুও ভাগিল।
বিহুৰ দিনত মিঠাই বিলাকে
ঘৰৰ টেমাত সোমাই
ডাঙৰ বোলাই ঠাট্টাৰ সুৰত
পিঠাক বুলিলে মোমাই।
তেতিয়া পিঠাই উভতি ধৰিলে
লাগিল ডাঙৰ কাজিয়া
টোপনি ভগাত কাজিয়া চাবলৈ
সোমাই আহিল বেজিয়া।
আহিয়ে বেজিয়া দেখিলে কাজিয়া
ঘৰৰ ভিতৰ খনত
হাৰিলে মিঠাই এৰিলে সিঠাই
বহিল বেজাৰ মনত।
দুৱাৰ চুকত সোমাল মিঠাই
দেখিয়ে বিক্ৰম পিঠাৰ
বেজীয়া ককায়ে দুচকু মোহাৰি
উমান লভিলে কথাৰ

আমাৰ বিহুত বাহিৰা মিঠায়ে
ঘৰৰ টেমাত সোমাই
সাদৰ নেওচি আমাৰ পিঠাক
কিয়নো মাতিব মোমাই ?
অসম দেশৰ আপোন আহাৰ
তাহানি কালৰে পৰাই
বিহুৰ দিনত ৰাখিছে পিঠাক
বাচনে-বৰ্তনে ভৰাই।
আগলৈ সদায়ে পিঠাৰ আদৰ
থাকিব আমাৰ মাজত
যদিও আনিম বাহিৰা মিঠাই
ৰাখিম টেমাৰ বাজত।

❖❖❖❖❖❖

দুয়োৰে কৰিলে ঘটং মটং

পুৰাতে হাতত উঠাই কৰত
ঘৰৰ বাহিৰ ওলাল ভৰত।
ওলায়ে দেখিলে ঘনক বাটত
এখন কুঠাৰ ঘনৰো হাতত।
দুয়োটা ৰ'লহি বাটৰ দাঁতিত
তেনেতে কঁঠাল সৰিল মাটিত।

দুয়োৰে কঁঠাল বাটতে পোৱাত
ইফালে সিফালে লাগিল চোৱাত।
কোনেও নেদেখি দেখিলে সিহঁতে
ভাবিলে পাইছো ভাগ্যৰ যহতে।
ঘনই কঁঠাল আনিলে উঠাই
ফোপাই-জোপাই নেথাই নেথাই।
তেতিয়া কথাটো শুনালে ভৰতে
দুয়োৰে কঁঠাল খাওগৈ ঘৰতে।
ঘনই সন্মতি নিদিলে কথাত
উখনা ওখনি লাগিলে হঠাৎ।
কঁকাল পোনাই উঠিল ভৰত
কঁঠাল খাবগৈ গুছাই ঘৰত।
বাটৰ কঁঠাল বাটতে কাটিব
ঘৰলৈ সুমালে এটাকো নাটিব
ঘনই তেনেকৈ কোৱাৰ পিছতে
ঘূৰালে কুঠাৰ কথাৰ লাচতে।
কাটিলে কঁঠাল কুঠাৰে ঘাপত
ভৰতে নিজকে বচালে জাপত।
বেচেৰা পলাল কঁঠাল নেখায়
ইফালে ঘটনা দেখিলে দেখাই।
পুনৰ ঘনই ঘূৰালে কুঠাৰ
ঘৰলৈ পোনালে দেখিয়ে পথাৰ।
গছৰ কঁঠাল আগতে পৰিল
খোৱাৰ বেলিকা কেনাটো লাগিল।

❖❖❖❖❖

এহেৰ তেহেৰ কথাৰে

মেকুৰী মাতত
সোমাল গাঁতত
নিগনি এন্দুৰ
নলয় সেন্দুৰ।
বাঁহৰ জেঙেৰে
দীঘল ঠেঙেৰে
বগলী ভকত
নহয় শকত।
গঁড়াল ভাঙিব
কুকুৰা ডাঙিব
হাবিৰ শিয়াল
নকৰে খিয়াল।
চুৰীয়া পিন্ধিব
টঙালি বান্ধিব
তথাপি সুন্দৰ
নহয় বান্দৰ।
কাউৰী পৰিল
কৰদৈ সৰিল
তলত ৰহদৈ
বোটলে কৰদৈ।
উঠিল বাণত
আছিল কাণত
ধৰোতে বৰালি
পানীত পেলালি।
বাৰীৰ ধাপত
উঠিল জাপত
খেদিলে কুকুৰে
শিয়াল চেকুৰে।
আছিল ভোকত
কলৰ থোকত
হ'লতে গধূলি
পৰিল বাদুলি।

❖❖❖❖❖

নুবুজা সাঁথৰ কৰ'না

জনম লোৱাৰ পিছতে দেহাটি
নিজৰ বুলিব নোৱাৰি
বিপদে আপদে সম্পদে থাকিব
লাগিব ঈশ্বৰ সুঁৱৰি।
ক্ষণিক হৰিষ ক্ষণিক বিষাদ
জীৱন যুঁজৰ মেলাত
মুনিহ তিৰোতা সকলো সোমাব
এনেটো মায়াবী খেলাত।
যতনে সজালোঁ ধুনীয়া দেহাটি
ভাবিলো লভিম অমৰ
নিচিনি পৰক নিজৰ কাৰণে
কৰাত লাগিলো সমৰ।
সিমান খিনিতো থমকি নৰলো
উঠিলো কৰ্মৰ নাৱত
ভালকৈ বান্ধিলো যুঁজাৰু মনটো
পৃথিৱী জয়ৰ ভাবত।
এবাৰো নেভাবি নুগুনি ক্ষন্তেকো
বজালো জীৱন ঢোকাৰী
হঠাতে আহিল কৰ'না ধুমুহা
পেলালে থিতাতে জোকাৰি।
কৰ'না কোভিড বেমাৰ অদ্ভুত

আসন পাৰিলে দেহাত
গমকে নাপালো কথাৰ পাকতে
ভেটিলে জীৱন বেহাত।
গৃহৰ গৃহিণী নন্দন নন্দিনী
আঁতৰি থাকিল গাঁৱত
বণিজ কৰাৰ সকলো সামগ্ৰী
সোমাই থাকিল নাৱত।
দুচকু মুদিলে আত্মীয় স্বজনে
কাপোৰ নিদিলে মুখত
নিজকে বচাই আঁতৰি আঁতৰি
চকুলো টুকিলে দুখত।
ইহেন কোভিড কৰ'না বেমাৰে
ভাঙিলে সকলো সপোন
জীৱন কালৰ নুবুজা সাঁথৰ
থাকিও হেৰায় আপোন।

❖❖❖❖❖❖



বাখৰে কবিতা পঢ়াৰ শেষত

মাছৰ নামেৰে তিনিটা আখৰে
দেখিলে কবিতা পঢ়িলে বাখৰে।
বাখৰে পঢ়োতে পৰিল কাণত
এঅঁৰা মাগুৰ উঠিল বাণত।
বিলত নামিব বান্ধিছে টঙালী
পাৰলৈ উঠিছে জাপতে চেঙেলী।
মহিলা সকলে উৰুলি দিলত
গাঁৱৰ মানুহ নামিল বিলত।
ডাঙৰ বৰালি সোমাল পলত
মখনা ককায়ে ধৰিলে গলত।
গঁয়াৰ লগত বোপাটি চলিহা
পলত ধৰিছে কেৱল খলিহা।
শ'লৰ লগতে কান্ধুলি ধৰিছে
পলৰ চাবত খালৈটো ভৰিছে।
দীঘলা ককাই কমলা বৰীয়া
চাবতে ধৰিছে একোটা খৰীয়া।
স্ফুৰ্তিতে নামিছে বিলত পাগল
হাঁহিৰ মাজতে ধৰিছে গাগল।
কোনোটো নামিছে হাতত টাঙোন
মাৰতে মৰিছে ডাঙৰ ভাঙোন।
বিলত নালাগে সাজোন-কাছোন

নামিছে ধৰিছে পলত লাচোন।
আহিয়ে নামিল ভেবেলা কতীয়া
ধৰিলে কেৱল এহালি বটীয়া।
বহুত মানুহ বিলৰ পাৰত
মাছৰ সাঁতোৰ পানীৰ আঁৰত।
ভাদৈৰ জকাই হেলেং পেলেং
তথাপি সোমাল এমখা এলেং।
বাখৰে কবিতা পঢ়াৰ শেষত
ওলাল জুলুকি বোৱাৰ বেশত।
হাজিৰ হ'লগৈ বিলৰ পাৰত
বতাহ বলিছে কঁপিছে জাৰত।

❖❖❖❖❖

ধেকুৰা কুকুৰা শিয়াল কথাটি কৰিবা খিয়াল

শিয়ালে ধৰিলে কুকুৰা জনীক
নিচেই পুৱাতে বাটত
গৃহস্থ জনেও নেখেদি থাকিল
লাখুঁটি নাছিল হাতত।
ঘটনা দেখিয়ে ঘৰৰ ধেকুৰা
খেদিলে চেঁকুৰি চেঁকুৰি
কুকুৰা জনীয়ে মনৰ দুখত
কান্দিলে ফেকুৰি ফেকুৰি।

ইমান বছৰে আঁতৰি আঁতৰি
ফুৰিলা অনাই-বনাই
হঠাতে এতিয়া উভতি অহাৰ
দিবানে কাৰণ জনাই ?
তাহানি কালতে গৈছিলো পলাই
বুজাব নোৱাৰি মনক
এতিয়া আহিলোঁ ঘৰলৈ উভতি
বিছাৰি আপোন জনক।
পলম হ'লেও বুজিলো কথাটো
আনত আপোন নোলায়
মনায়ে শুনালে কথাটি লাহেকৈ
ডাঢ়িত আঙুলি বোলায়।
বুজিলোঁ এতিয়া মনাই আমাৰ
কোনোবা কালৰ আপোন
হেৰোৱা জনক দেখিলো পুনৰ
লাগিল সপোন সপোন।

❖❖❖❖❖

বিহুটি আমাৰ প্ৰাণৰ

কেতেকী কুলিয়ে ইনাই বিনাই
হিয়াৰ বাতৰি দিলেহি
কৰ'না কোভিড বোলোতে বোলোতে
পুনৰ বিহুটি পালেহি।
গগনা বজাই নাচনী ওলাই
উৰিল পখিলা উৰাদি
হাঁহিটি মাৰোতে ধুনীয়া দাঁতৰ
সৰিলে মুকুতা সৰাদি।
ঢুলীয়া ককাই আহিলে পোনাই
কান্ধৰ ঢোলটি বজাই
নাচনী ভনীয়ে খোপাটি আনিছে
তৰগ ফুলেৰে সজাই।

দূবৰি বনৰ　　　　　　দলিচা গছকি
জুৰিলে এফাকি জোঙালি
ভাগৰ লগাকৈ　　　　　নাচিলে আটায়ে
প্ৰাণৰ বিহুটি ৰঙালী।
ম'হৰ শিঙৰ　　　　　পেঁপাটি বাজিল
সোণত সুৰগা চৰিল
চাপৰি কিৰিলি　　　　উঠিল উথলি
উলাহে মনটো ভৰিল।
এনেটো দিনতে　　　　বাগৰি বাগৰি
বোৰতী পানীয়ে জানৰ
কাণত শুনালে　　　　সুৰীয়া সুৰেৰে
বিহুটি আমাৰ প্ৰাণৰ।
এনুৱা বিহুটি　　　　এৰিব লাগিলে
নাথাকে জাতিৰ সন্মান
বিহুৱে আমাৰ　　　　বাপতি সাহোন
অসম দেশৰ প্ৰমাণ।
ৰিণিকি ৰিণিকি　　　শুনিছো গাঁৱৰ
গাভৰু ডেকাৰ হুঁচৰি
বিদেশী জনেও　　　　বিহুৰ সোৱাদ
লয়হি খুঁচৰি খুঁচৰি।
অধিক গালেও　　　　ওৰকে নপৰে
বিহুৰ অমিয়া স্বভাৱ
আমাৰ মাজত　　　　এনেটো বিহুৰ
সদায়ে পৰিব প্ৰভাৱ।

❖❖❖❖❖

হুঁচৰি গোৱাৰ শেষত

হুঁচৰি গাবলৈ ওলাল মইনা
ঢোলত মাৰিলে চাপৰ
নাচনী জনীয়ে পলম কৰিলে
চোবাই থাকোতে পাপৰ।
আহিল জুনুকা লগতে মেনকা
পাছতে আহিল পাপৰি
মাজত সোমাই ফুটুক আহিল
হাতেৰে বজাই চাপৰি।
তালৰ মাতেৰে খিটিক খিটিক
বাবাটো আহিল ওলাই
বিহুৰ সাজেৰে উলুপী আহিল
হাতত জেতুকা বোলাই।
পেঁপাটি বজাব মহিম বোপায়ে
টিহিটি টিহিটি সুৰত
লাহৰী গগনা পূজাই বজাব
ঢুলীয়া থাকিব দূৰত।
এনেকৈ ওলাই অকণি মখাই
আৰম্ভ কৰিলে হুঁচৰি
চাবলৈ আহিল কোনোবা বেগাই
কোনোবা আহিলে চুঁচৰি।

কৃষ্ণাই মূৰৰে বকুল এপাহি
লগালে হুঁচৰি কীৰ্তন
নালিয়া ককাই আহিল ওলাই
বজাই বাচন-বৰ্তন।
হুচৰি গোৱাৰ পিছতে ধুনুৱে
লগালে বিহুৰ জোঙালি
অতিকে আপোন বাপতি সাহোন
আমাৰ বিহুটি ৰঙালী।
তেনেতে বাজলৈ বিহুটি চাবলৈ
আহিল জেঠাই লেৰেলী
সেইটো স্ফূৰ্তিতে গোটেই মখাই
পৰাত লাগিল কিৰিলি।
শেষত ঘৰৰ মানুহে সেৱাটি
জনাই যাচিলে শৰাই
বাৰিকে আশিস নিৰ্মালি বৰষি
হৃদয় পেলালে ভৰাই।

❖❖❖❖❖

ফাচাং-ফুচুং কবিতা

গৰম উঠিলে নলয় বিছনি
কাপোৰ নলয় শীতত
ভোকত থাকিও নাখায় কৰ্কৰা
তবলা নাবাজে গীতত।

পানীত নুফুলে ধুনীয়া পদুম
মাটিত নুফুলে তগৰ
দেখিও পুলিচে নধৰে চোৰক
চোৰৰ নালাগে জগৰ।
শীতৰ দিনত কুঁৱলী নপৰে
ভোমোৰা নপৰে ফুলত
ববচা বনৰ সেউজী দলিচা
নেদেখো নদীৰ কুলত।
হাতীৰ পিঠিত উঠিব নোৱাৰে
ফুৰিব পাহাৰ বগাই
কুকুৰা চৰায়ে ডাকৰ যোগেদি
নিদিয়ে পুৱাতে জগাই।
আকাশ খনৰ তৰাৰ হিচাপ
লিখিব আঙুলি মূৰত
সিহঁতো এতিয়া জিলিকি জিলিকি
নাথাকে বহুত দূৰত।
ঘৰৰ মূধত চৰাই নপৰে
নিগনি নাথাকে গাঁতত
কুলিক দেখিলে খেদিব আটায়ে
আনন্দ কোৱাৰ মাতত।
পানীৰ তললৈ নুডুবে কদাপি
ডাঙৰ ডাঙৰ পাথৰ
হেঁচিলে ডুবিব এবাতি পানীত
একোটা টুকুৰা কাঠৰ।

❖❖❖❖❖

ছাৰৰ গৰ্জন টোপনি বৰ্জন

ক্লাচত সোমাই ছাৰৰ গৰ্জন
টোপনি কৰিব লাগিব বৰ্জন।
তহঁতে পঢ়িবি পঢ়াম সাহিত্য
কথাত ধিয়ান দিছনে আদিত্য ?
ছাৰৰ কথাত ক্লাচত কঁপনি
আদিত্য হঁতৰ ভাগিল টোপনি।
কোঠাতো ডাঙৰ আহল-বহল
নেমেলি কিতাপ ছাৰৰ টহল।
দেখিলে অপুক টোপনি জালত
হাতেৰে কৰিলে আঘাত গালত।
চাৰৰ চৰত টোপনি ভাগিল
থিতাতে ভয়ত পেপুৱা লাগিল।
তপনে টোপনি এৰিলে তেতিয়া
ছাৰৰ গৰ্জন শুনিলে যেতিয়া।
তথাপি টোপনি ধৰিলে চকুত
গুদুৰে টিপতে মাৰিছে চিকুট।
পঢ়ালে সাহিত্য চিঞৰি চিঞৰি
আটায়ে শুনিলে ঈশ্বৰ সুঁৱৰি।
এবাৰ হঠাতে পুতিলে খোপনি
বেঞ্চত দেখিলে ৰাজাৰ টোপনি।

ৰাজাও নহয় অলপ ভকত
ভীমৰ নিচিনা দেহাটো শকত।
সেয়েহে বহাতে টোপনি মাৰিব
ভালকৈ নেচালে নোৱাৰে ধৰিব।
চাৰৰ বচন হিৰ'ৰ ঢঙত
নামাতি থাকিল ৰাজাই খঙত।
পুনৰ ছাৰৰ ৰাজালৈ টিপ্পনি
কিয়নো ক্লাচত মাৰিছ টোপনি
শুনালে ছাৰক খঙত ৰাজাই
কিয়নো মিছাতে বকিছে সজাই ?
আপুনি ক্লাচলৈ সোমালে দুৰ্যোগ
অকণো নেপাও শুবলৈ সুযোগ।
যেনেকৈ আপুনি কৰিছে গৰ্জন
নকৰি নোৱাৰো টোপনি বৰ্জন।
সামৰি সাহিত্য ৰাজাৰ কথাত
ছাৰেও কোঠাটো এৰিলে হঠাত।

❖❖❖❖❖

কুকুৰা-হাঁহৰ কৃতিত্ব

এদিন আবেলি
নগৰ নুফুৰি
বহিল ঘৰৰ বাজত
দুজন ল'ৰাই
আলচ কৰিলে
কথাটি দুয়োৰে মাজত।
নগেন বিতুলে
যেতিয়া তেতিয়া
সুযোগ-সুবিধা মিলাই
বাহিৰে-ভিতৰে
আলচ কৰোতে
ভুমুকি মাৰিব লীলাই ।
বিদেশ-দেশৰ
বিষয় বিশেষে
কৰোতে তিনিৰে আলচ
শ্ৰোতাৰ শাৰীত
বহিব নীৰৱে
নয়ন তগৰ গুলচ।
ৰসাল কথাৰ
মাজতে আলচ
বিষয় আশ্চৰ্য জনক
ইয়াৰ আশাতে
তিনিও বহিব
চমক লগাই মনক।
আবেলি পৰৰ
এইটো আলচ
প্ৰথমে আছিল নিৰস
পিছত হঠাতে
বিশেষ কৌশলে
নগেনে কৰিলে সৰস।
থিতাতে ভাবিলে
লগতে সুধিলে
প্ৰশ্নটো বিতুল লীলাক
তহঁতে দেখিছ
বিভিন্ন হাঁহৰ
লগতে কুকুৰা বিলাক।
ইহঁত মখাৰ
মাজত ওলাব
কোনটো কৃতিত্ব বিশেষ
কোনেনো পাৰিবি

উত্তৰ শুনাব
বিচাৰি-খোঁচাৰি অশেষ।
প্ৰশ্নটো শুনিয়ে
তভক মাৰিলে
ক্ষন্তেক বিতুল-লীলাই
নাকটো মোহাৰি
উত্তৰ যাচিলে
বিতুলে প্ৰশ্নটো মিলাই।
কুকুৰা হাঁহৰ
বিশেষ কৃতিত্ব
সিহঁতে জন্মৰ আগত
নাইবা পাচত
সোমাই পৰিব
আমাৰ খাদ্যৰ ভাগত।

❖❖❖❖❖

আইক সুঁৱৰি

আমাৰ ঘৰত আগৰে পৰাই
খৰাহী নাইবা পাচিত ভৰাই
ধানৰ লগতে চাউলো থৈছিল
সময় সাপেক্ষে আইয়ে লৈছিল।
চালনী কুলাৰে চালিব-জাৰিব
ঢেঁকীত পেলাই মলখু কাঁৰিব

উখুৱা আবৈৰ তেলীয়া ভাতেৰে
আইয়ে যাচিব কোমল মাতেৰে।
পুৱাতে আনিব কঁৰীয়া ভৰাই
গোহালী সোমাই গাখীৰ খীৰাই
জুইত পগাই গাখীৰ খুৱাব
গৰম পানীৰে দেহাটো ধুৱাব।
পথাৰ-খালৰ মাছকো ধৰিব
পাতত মেৰাই জুইত পুৰিব
নিমখ তেলেৰে পিটিকা বনাই
আমাক খুৱাব ঘনাই ঘনাই।
বাৰীৰ খুতুৰা ঢাপৰ ঢেঁকীয়া
তেতিয়া আছিল সোৱাদ সুকীয়া
বুজাই-বঢ়াই আইয়ে যাচিব
গৰাহে গৰাহে মুখত হেঁচিব।
কঁঠাল-লেতেকু নহয় অকল
আমৰো খুৱাব চকলা-চকল
বাৰীৰ ফলেৰে ধৰিব যতন
দেহৰ ৰোগৰ ঘটাই পতন।
গধূলি হ'লেই প্ৰাৰ্থনা কৰাব
চাকিতো জ্বলাই পঢ়াত ধৰাব
দুখকো নোবোলে নিজৰ দুখত
হাঁহিতি মাৰিব আমাৰ সুখত।
জাৰকো নোবোলে নোবোলে গৰম
আইয়ে কৰিব আমাক মৰম
এয়াই আমাৰ চেনেহী জননী

জীৱন গঢ়াত প্ৰকৃত ধৰণী।
সবাৰো উত্তম আইৰ আশ্ৰয়
আইৰ বিহনে বিফল নিশ্চয়।।

❖❖❖❖❖❖

অৰঙে দৰঙে ফুৰাৰ খবৰ

পুৱাতে ওলাল সাজোনে কাচোনে
কথাটো নকলে গাঁৱত
মাজুলী জিলাত ফুৰাৰ চলেৰে
মোলোকা উঠিল নাৱত।
বগাই বৰাই ঘনাই ঘনাই
চোবাই বুতৰ গজালি
নুঠিল ৰেলত উঠিল বাছত
আবেলি পালেগৈ বজালী।
ভলুকা পেহাই চিএৱৰি উঠিল
মটৰ ৰখাই দিয়ক
নহ'লে ভুলতে নামিম জাঁজীত
এতিয়া পালোহি টিয়ক।
বুদুৰ লগতে নগেনো ওলাল
দুয়োৰে একেটা চুবুৰি
পৰহি নিশাতে ৰেলত উঠিল
কালিয়ে পালেগৈ ধুবুৰী।

অৰঙে দৰঙে ফুৰিলে নগেনে
এৰিলে কামৰ হাজিৰা
শেষত এমাহ থাকোঁগৈ বুলিয়ে
সিদিনা পালেগৈ নাজিৰা।
মনৰ হেঁপাহ পূৰাই ফুৰিম
কথাটি কৰিলে বিচাৰ
পুৱাই পাঁচত উঠিল বাছত
লেৰেলা পালেগৈ কাছাৰ।
ৰূপাই ভকত গঠনে শকত
সাজত চুৰীয়া চেলেং
মিতিৰ খোৱাৰ মনেৰে ওলাল
বিয়লি পালেগৈ মেলেং।
নাযাও বুলিও ওলাল দুয়োটা
ধনৰ লগতে পৰাণ
বহিল টেক্সিত চলিল বেগত
থিতাতে পালেগৈ মৰাণ।
নাযাও দৰং ফুৰিলে ফুৰক
নাৰাখো কাৰোৰে খবৰ
ৰাখোতে ৰাখোতে দীঘল হ'বগৈ
যেনেকৈ টানিলে ৰবৰ।

❖❖❖❖❖

বিভিন্ন জনৰ বিভিন্ন কথাৰে

ৰমলা জেঠায়ে কমলা নেখায়
নেখায় মছলা জালুক
সোণায়ে নকৰে অকণো সমীহ
দেখিও তিনিটা ভালুক।
লেৰেলা দদায়ে কেৰেলা দেখিলে
নবহে ভাতৰ পাতত
লাহৰে যেনিবা পাহৰে খাবলৈ
বাঁহীৰ সুৰদী মাতত।
মাখনে নেখায় মাছৰ নামত
বৰালি মাগুৰ এলেং
নালীয়া পেহাক আহোতে যাওতে
দেখিবা হেলেং পেলেং।
শৰতে নেখায় বাৰীৰ ধাপৰ
শিলিখা-বগৰী-অমৰা
বীৰেনে বিয়লি গোহালি ঘৰত
সোমাই নেবান্ধে দমৰা।
পেটালে পাপৰ খাবলৈ বিচাৰে
ভাজিব লাগিব তেলত
শাৰীৰ আগত নাপালে আসন
আঘোণা নবহে মেলত।

দীঘলা দদায়ে বিচাৰে সদায়ে
মিঠাই কোমল কোমল
কটৰ কটৰ মিছিৰি চোবাই
আনন্দ পোৱাটো নোমল।
ভীমৰ নিচিনা লোদোৰ-পোদোৰ
ভবেন নহয় লিটিকা
নগেনে নেখায় ভাতৰ লগত
নিমখ তেলেৰে পিটিকা।
তীখৰে বিচাৰে তিলৰ লাৰুৰ
লগতে সান্দহ হুৰুম
নোহাই নোলায় ঘৰৰ বাজলৈ
গাজনি মাৰিলে গুৰুম।
প্ৰত্যেক জনৰ মাজত ওলাব
নিয়ম পৃথক পৃথক
কোনোবা জনৰ কাৰণে সপোন
কোনোবা জনৰ দিথক।

❖❖❖❖❖

ডাক্তৰ হোৱাৰ সপোন

পঢ়াৰ মেজত বহিল বাখৰ
প্ৰথমে লিখিলে হাতৰ আখৰ।
লিখিছে যিমান কাটিছে সিমান
আহিল তেনেতে লগৰ বিমান।

বিমানে দেখিলে পঢ়িছে বাখৰে
উজ্বলি উঠিছে হাতৰ আখৰে।
আখৰ দেখিছো কাউৰী ঠেঙীয়া
লগতে একোটা ছাগলী শিঙীয়া।
কাগজে কলমে ফেনেকি ফেনেকি
কৰিছে এখন ফুলৰ চানেকি
পৰীক্ষা বহীত এনেকৈ লিখিবি
কিমান নম্বৰ আহিব দেখিবি ?
বুজিবি কথাটো নহয় ব্যংগ
আখৰ শিক্ষাৰ প্ৰধান অংগ।
হাতৰ আখৰে চিনাকি আপোন
আখৰে বহীকো কৰিব দাপোণ।
লিখিবি আখৰ কৰিবি অংক
একোতে নকৰি জংক-পংক।
কৰিবি সাধনা বিজ্ঞান-ভাষাত
সহাৰি যোগাব মনৰ আশাত।
সকলো বিষয় মনেৰে ধৰিবি
সদায়ে পঢ়োতে সাধনা কৰিবি।
নকৰি এলাহ লিখিবি আখৰ
ধুনীয়া হোৱাতো খাটাং বাখৰ।
বাখৰে শেষত মাতিলে বিমান
অকণো নেভাবি বুজালি ইমান
নহয় আখৰ ফুলৰ এপাহ
তথাপি মনত পুহিছো হেঁপাহ।
আগলৈ নহওঁ চিনেমা এক্টৰ

হোৱাৰ সপোন এজন ডাক্তৰ।
ডাক্তৰে লিখাৰ পিছত কাগজ
পঢ়াৰ ক্ষেত্ৰত আছেনে তাগজ ?
গতিকে বিমান ইমান নেগাবি
ডাক্তৰ হোৱাৰ প্ৰেৰণা যোগাবি।

❖❖❖❖❖

বিভিন্ন জনৰ কথাৰে

বেজীয়া ভকত
নহয় শকত
বেজীৰ নিচিনা লিটিকা
আবেলি ভাতৰ
লগত সদায়ে
খাবলৈ লাগিব পিটিকা।
অংক কৰোতে
তংক বোপায়ে
সদায় নেওতা পাহৰে
শ্ৰেণীৰ বেঞ্চত
কাষতে বহিব
মনত পেলাব লাহৰে।
তামোল গছত
বগাব নোৱাৰে

হোৱাৰ কাৰণে গধুৰ
মোলোক দদায়ে
নামত ধৰোতে
মাতটো অমিয়া মধুৰ।
শকত-আবত
ভীমৰ চেহেৰা
ভাতৰো এদ'ম কাঁহীত
ভলুকা পেহাই
খাবলৈ বহোতে
দেখাও মৰিব হাঁহিত।
হাবিলৈ যাওতে
হাতৰ মুঠিত
লুকাই কটাৰী নলীয়া
পুৱাতে ওলাই

যাওতে সদায়
নিয়াতো দীঘলা শলীয়া।
খোৱাৰ পৰত
কেনিও নেচায়
যদিও নগেন চাপৰ
ভাতৰ পাতত
কমেও ছুখন
লাগিব লিজ্জত পাপৰ।
গধূলি পৰত
সোমালে ঘৰত
নোলায় লেপেং বৰুৱা
বাটৰ দাঁতিত
থাকিব বুলিয়ে
মচোৱা দীঘল পৰুৱা।
চুৰীয়া কুৰুতা
মূৰত পাগুৰি
ধুনীয়া সাজেৰে ভদীয়া
লাখুঁটি জোকাৰি
উঠিছে গাড়ীত
বিয়লি পাবগৈ শদিয়া।
ভতুৱা কুকুৰে
ভুকিলে চেকুৰে
সুন্দৰী ৰাণীৰ লয়ত
বদন বৰাই
ভিতৰ সোমাই
বাহিৰ নোলায় ভয়ত।
অকণি মেলৰ
অকণি মখাই
বহিছে মইনা মেলত
ভাবিছে-গুণিছে
সোমাই পৰিছে
কবিতা কবিতা খেলত।

❖❖❖❖❖

সম্পত্তি দানৰ কাহিনী

অজান বৰুৱা হঠাতে সিদিনা
দুপৰ বেলিকা পৰত
হঠাতে পৰিল থিতাতে মৰিল
এখন কঁপনি জ্বৰত।
মৰাৰ আগতে কথাৰ মাজতে
অজানে কৈছিল শুনাই
এবাৰ মৰিলে মানবী জনম
নাপাম কিজানি দুনাই
লভিম অমৰ ডাঙৰ কামেৰে
কথাটো আহিছে মনলৈ
সেয়েহে কৰিম সম্পত্তি প্ৰদান
অনাথ আশ্ৰম খনলৈ।
সম্পত্তি বিলাক প্ৰদান কৰিলে
মনত লভিম সন্তুষ্টি
সেয়েহে বিলাম সকলো সম্পত্তি
তাৰেই কৰিছোঁ প্ৰস্তুতি।
গাঁৱৰ মানুহে কথাটো শুনিলে
ভাবিলে উৰাই-ঘূৰাই
অজানে বিলাব সকলো সম্পত্তি
মনৰ হেঁপাহ পূৰাই ?

অজান বৰুৱা যেনিবা বৃহৎ
সম্পত্তি বোৰৰ মালিক
ফিচিঙা-ফিচিঙ কৰিলে বহুতে
দেখিলে কল্পনা অলীক।
গাঁৱৰে আলহী মদনে সুধিলে
সিদিনা দুপৰ বেলিকা
অনাথ আশ্ৰম খনলৈ অজানে
সম্পত্তি যচাৰ তালিকা।
আলহী জনৰ উত্তৰ দিবলৈ
আহিল মিষ্টাৰ পোৱালি
তেওঁৰ সম্পত্তি তিনিটা ল'ৰাৰ
লগতে ছজনী ছোৱালী।
পোৱালী বোপাৰ উত্তৰ পোৱাৰ
পাছতে আলহী মদনে
অজান দেৱৰ দানৰ বিষয়ে
ক'বলৈ ধৰিলে সঘনে।

❖❖❖❖❖

ওলট-পালট — (এক)

অমৰা গছত তামোল লাগিল
তামোল গছত অমৰা
কুকুৰ সোমাল গোহালি ঘৰত
মানুহ খেদাতো দমৰা।
নেউল বহিল গছৰ ডালত
বান্দৰ সোমাল গাঁতত
পখিলা সোমাল খালৰ পানীত
চেঙেলী বগালে পাতত।
শেলুক লাগিল বগৰি গছত
বগৰী পানীৰ তলত
দুপাৰ উপচি গাখীৰ আহিল
বাৰিষা নদীৰ ধলত।
কোমোৰা লাগিল কঁঠাল গছত
কঁঠাল চাঙত বগাই
কলহ ভৰাই গাখীৰ ৰাখিলে
পানীকে ল'লেহি পগাই।
শিয়াল বিলাকে কুকুৰে ভুকাদি
দিনতে ভুকিলে ঘৰত
শিয়াল বোৰৰ গাঁতত সোমাই
কুকুৰ কঁপিছে জ্বৰত।
নিগনি বিলাকে গাঁতৰ বাহিৰ

ওলাই ফুৰিছে চেকুৰি
প্ৰাণৰ ভয়ত সোমাল গাঁতত
যিমান আছিল মেকুৰী।
বগলী বোৰৰ হ'বলৈ ধৰিলে
দেহৰ কলীয়া বৰণ
কাউৰী বিলাকে থিতাতে কৰিলে
মাখিৰ ধৰণ কৰণ।
শাওন মহীয়া ভদীয়া ককায়ে
এন্দুৰ জুৰিলে হালত
কিমান জনাম অগ্ৰং-বগ্ৰং
মুঠতে ওলট-পালট।

❖❖❖❖❖

ওলট-পালট — (দুই)

কঁঠাল গছত লাগিল খাজুৰি
পাৰিবা কোনেনো পাৰিব আঁজুৰি
আঁজুৰি পাৰিবা নপৰে মূৰত
লগাবা ডাঁৰিকী থাকিবা দূৰত।
জিকাৰ ঠাৰিত লাগিল কোমোৰা
নপৰি ভয়তে পলাল ভোমোৰা
নৰ'ল জেঙত পৰিল মাটিত

হাঁহেৰে ৰান্ধিব বিলাব বাটিত।
পানৰ পাতত লাগিল জালুক
তলত ৰ'লহি মোটোহা ভালুক
পখৰা কুকুৰে যেতিয়া দেখিলে
ভঁৰাল তলৰ পৰাই ভুকিলে।
মাটিৰ তলত নালাগি বাদাম
পুৰাতে ভৰিলে বেপাৰী গুদাম
শুকান বাদাম নহয় মুকলি
খোৱাৰ আগতে গুচাবা বাকলি।
এথোপা লেটেকু জামুৰ গছত
এতিয়া নহয় খাবহি পিছত
খোৱাৰ আগত নাভাবি নিচিন্তি
পেটৰ অসুখে লগাব অশান্তি।
ওলমি ৰবাব টেঙাৰ ডালত
থেকেৰা লাগিল বসন্ত কালত
চকলা চকলে পেহীয়ে শুকাব
ৰ'দৰ তাপত আধাটো লুকাব।
কলৰ থোকত ওলাল পটল
দেখাত লাগিছে একোটা বটল
গধূলি নহয় উদুলি-মুদুলি
পৰিও নপৰে একোটা বাদুলি।
কপাহ গছত লাগিল কেৰেলা
দেখিয়ে চিন্তাত পৰিল লেৰেলা
সূতাৰ অভাৱ ঘটিল শালত
সকলো বিলাক ওলট-পালট।

আনকি কথাতো নহ'ল ভালত
চিকাৰ কৰিলে নপৰে জালত
এনেকৈ আমাৰ জীৱন কালত
কদাপি নুগুছে ওলট-পালট।

❖❖❖❖❖

ওলট-পালট — (তিনি)

গছৰ ডালত কুকুৰ উঠিল
বান্দৰ নামিল মাটিত
শিয়াল সোমাই ঘৰৰ ভিতৰ
গাখীৰ চেলেকে বাতিত।
ৰান্ধনী জনীয়ে ভাতৰ কাঁহীত
খাবলৈ বাঢ়িলে পাথৰ
মাছৰ জোলত মাছৰ সলনি
ওলাল টুকুৰা কাঠৰ।
ট্ৰেইন চলিল নদীৰ মাজেদি
পানীৰ জাহাজ বাটত
জাহাজ সোমাল নগৰ খনত
ট্ৰেইন ৰখালে ঘাটত।
বিমান নুৰিল আকাশী পথত
বেগেৰে চলিল পানীত
ছাতৰে এৰিলে কিতাপ কলম

গৰুৱে কৰিলে গণিত।
মাছৰ সলনি পানীত নামিল
এন্দুৰ নিগনি ফৰিং
মাছেও মাটিত জিলিৰ মাতেৰে
মাতিলে চিৰিং চিৰিং।
আলুৰ সলনি অকণি অকণি
পাচলি কুটিলে শিলৰ
পানীৰ বদলি বাল্টিয়ে বাল্টিয়ে
গাখীৰ আনিলে বিলৰ।
পথাৰ খনত মাছৰ মিটিং
সাগৰ খনত চৰাই
উলহে মালহে নাচিছে-বাগিছে
দেখিলো দূৰৈৰ পৰাই।
কঁঠাল গছত লেটেকু লাগিল
ডালিম গছত বগৰী
তামোল গছত অমিতা লাগিল
শিলিখা আমৰ লগৰী।
ঘামচি উঠিল চুলিৰ মাজত
ওকণী দেখিবা গালত
যেনিয়ে নজৰ পেলাবা তেনিয়ে
দেখিবা ওলট-পালট।

❖❖❖❖❖

টুকুৰা টুকুৰ কবিতা

উপজি পুৱাতে বিছনা এৰিলে
পঢ়াৰ কৰিলে সূচনা
কমলে কলম হাতত তুলিলে
লিখিলে এখন ৰচনা।(১)
উটৰ পিঠিত উঠিল উপেন
উত্তম বহিল আগত
উত্তৰ দিশেদি উজাই আহিল
বেলিটো ডুবাৰ ভাগত।(২)
গগনে গমাৰি গছৰ গুৰিত
গঁড়াল সাজিলে বাঁহৰ
হিচাপ কৰিলে দীঘলে-পুতলে
জোখত দুযোৰ হাঁহৰ।(৩)
খবিৰে খাৰৈত ধৰিলে খলিহা
আনিলে খালৈত ভৰাই
তাঁতৰ পাটত বহোতে দেখিলে
তাৰৈৰ জীয়েক তৰাই।(৪)
ঠেনুকে ঠাইতে ঠগীক মাৰিলে
থেপেৰ থেপেৰ পিঠিত
চেনায়ে চোৱাৰ পিছতে ঘটনা
বিবৰি লিখিলে চিঠিত।(৫)
বদনে বিয়লি বাহৰ পাতিলে
বৰুৱা বামুণ গাঁৱত

নগাঁও নগৰ এৰিলে নৰেনে
নালিয়া নাথৰ নাৰত। (৬)
পমিলা পেহীয়ে পথাৰে পোনাই
আহিল হেলাই-হেঁপাই
আলিৰ মূৰত দেখিলে ৰ'লত
কাষলৈ আহিল বেপাই। (৭)
যদুৱে সাজিলে জোখৰ জপনা
দিয়াৰ পিছত জেওৰা
নগেনে নমাই ভালকৈ বান্ধিলে
পাতল টিনৰ নেওৰা। (৮)
তিনিটা আখৰে সজাই লিখিলোঁ
টুকুৰা-টুকুৰ কবিতা
অথালি-পথালি নকৰি পঢ়িবা
সেউতী মালতী ববিতা। (১০)

❖❖❖❖❖

অথালি পথালি কবিতা — (এক)

বতাহ সোমাব যদিহে খুলিবা
ঘৰৰ দুৱাৰ খিৰিকী
হাঁহিটো মাৰিয়ে মুকুতা সৰোৱা
ধুনীয়া দাঁতৰ গৰাকী। (১)
আহাৰ মাহৰ ৰ'দৰ তাপত
দেহাটি বুৰিব ঘামত
তথাপি কৃষকে দিনটো কটাব
পথাৰে পথাৰে কামত। (২)
পুখুৰী পানীত মাছৰ ধেমালী
পাৰত বগলী ককাই
কোনোবা পাকত থাপতে ধৰিব
ডিঙিটো অকাই-পকাই। (৩)
ব'হাগ বিহুত নাচনী ওলাব
নাচিব দূবৰি বনত
তাঁতৰ পাতত বহিছে শিপিনী
বিহুলৈ পৰিছে মনত। (৪)
বাৰীৰ ধাপত ওখকৈ ভলুকা
আগত পৰিছে চৰাই
বতাহ বলিছে সিহঁতো উৰিছে
দেখিছো দূৰৰ পৰাই। (৫)

ঘৰৰ মূধত কাউৰী পৰিছে
বগলী পৰিছে বাঁহত
বতাহ জাকত কহুঁৱা হালিছে
ফৰিং ফুটিছে ঘাঁহত। (৬)
পূবেদি ওলাল সূৰুয ককাই
বিলাই পুৱাৰ বাতৰি
ওপৰে ওপৰে বিললৈ পোনাই
শৰালি উৰিছে আতৰি। (৭)
গাঁতৰ পৰুৱা ওলাই আহিল
আহাৰ গোটাব বাজত
ইয়াতো একতা বজাই ৰাখিব
সিহঁত বোৰৰ মাজত। (৮)
কামুৰি কামুৰি নলৰ গজালি
ছিঙিলে পখৰা গৰুৱে
হাতৰ এছাৰি জোকাৰি জোকাৰি
বিচাৰি ওলাল সৰুৱে। (৯)

❖❖❖❖❖

অথালি পথালি কবিতা — (দুই)

শিপিনী বাইৰ হাতত ঘূৰিছে
মহুৰা ফুৰোৱা যঁতৰ
গাড়ীৰ চালক জনৰ হাতত
বাটেদি দৌৰিছে মটৰ
এতিয়া মানুহ ফুৰাৰ পৰত
নবহে হাতীৰ পিঠিত
দূৰৰ জনলৈ জনাব লগীয়া
বতৰা নিলিখে চিঠিত
পুলক বোপায়ে মুঠেও কৰিব
নোৱাৰে সৰল অংক
ইফালে পূৰণ সিফালে হৰণ
কৰোতে জংক-পংক
ফুটাই ফুটাই ঢোলত চাপৰ
মৰাতো ঢুলীয়া ৰুকাই
চাপৰ শুনিয়ে ৰঙিলী পেহীয়ে
গছকি ভাঙিলে জকাই
ইপাৰ-সিপাৰ হ'বলৈ নদীৰ
জাহাজ চলিল পানীত
ধুবলৈ ধোবাই সানিলে চাবোন
পুৰাতে কাপোৰ-কানিত

সূৰ্যৰ পোহৰ পৰাৰ পিছত
ফেঁচাই নেদেখে চকুৰে
চোৰৰ উমান পালেই ভুকিব
নিশাৰ ভাগত কুকুৰে
বাগিচা খনৰ ধুনীয়া ধুনীয়া
ফুলত পৰিলে পখিলা
দূৰৰ পৰাই আঙুলি জোকাৰি
আছেনো কেইটা লিখিলা ?
পাহাৰে-ভৈয়ামে সেউজী পৰশ
ধৰাত নামিলে বৰষা
খেতিয়ে-পথাৰে ভৰিলে পানীৰে
জীয়াই থকাৰ ভৰসা
বুৰুলি বান্ধিব টঙাল তুলাব
কোমল বাঁহৰ পাবত
অথালি-পথালি কবিতা লিখিলোঁ
দোধোৰ মোধোৰ ভাবত।



অথালি পথালি কবিতা — (তিনি)

কোনোবা-কাহানি
ঘূৰোতে ফুৰোতে
দেখিলে অথাই-সাগৰ
পাহৰি নাযাবা
অটল গভীৰ
নেমাৰি থাকিবা বাগৰ।। (১)
ভেলেঙী পেহীয়ে
কান্ধত তুলিলে
এখন ডাঙৰ জকাই
খালেকি নেখালে
পুৱাতে ওলালে
বিলৈ অকাই-পকাই।। (২)
মোলোকা ককায়ে
বাঁহেৰে সাজিলে
এখন দীঘল চকোৱা
নললে পোনাই
শেষত বনাই
দেখিলে অকোৱা-পকোৱা।। (৩)
ইফালে সিফালে
যাওতে বাটেদি
দেখিবা ঘনাই ঘনাই
একোকে নকৰি
পদুমী থুপৰী
ফুৰোতে অনাই-বনাই।। (৪)
আঙুলি কাটিব
মুঠিত ৰাখিলে
আগলি বাঁহৰ ফলীয়া
ইয়াকে নুবুজি
ধৰোঁতা জনক
বুলিবা অলিয়া-বলিয়া।। (৫)
তিনিটা আখৰে
সজোৱা শব্দৰে
কবিতা অথালি-পথালি
সোৱাদ লভিলে
সঁচাতো বুলিবা
নকৰি আজল-মঠালি।। (৬)

❖❖❖❖❖

অথালি পথালি কবিতা — (চাৰি)

বগলী পৰিছে
আগলি বাঁহত
কাউৰী পৰিছে ডালত
ইফালে-সিফালে
ঘূৰিছে মাগুৰ
বাৰীৰ বহল খালত।। (১)
হাঁহৰ ডেউকা
নিতিতে পানীত
হাইঠা নপৰে মাটিত
বৰষা নামিলে
নিতিতি-নুবুৰি
সোমাবা ডাঙৰ ছাতিত।। (২)
বাদুলী পৰিল
কলৰ থোকত
ভোমোৰ পৰিল ফুলত
লাজুকী বনেও
চেপেটা মাৰিলে
লাহেকৈ হাতেৰে চুলত।। (৩)
সিংহ ৰজাই
গোঁজৰ মৰাত
শিয়াল গাঁতত সোমাল
জালুক বিচাৰি
হাবিৰ মাজলৈ
ওলালে ভালুক নোমাল।। (৪)
নেখেদি নিগনি
আছেগৈ মেকুৰী
কেঁকুৰি এটাৰ কাণত
খোপনি পুতিলে
এন্দুৰ দেখিলে
হাওলা মাগুৰি ধানত।। (৫)
ডালৰ বগৰী
তললৈ সৰিলে
খাওঁতা নোলাল গাঁৱত
লেটেকু বিচাৰি
পুৱাতে বাখৰ
সিপাৰ পালেগৈ নাৱত।। (৬)

❖❖❖❖❖

অথালি পথালি কবিতা — (পাঁচ)

বগৰী গছক কাটিব নোৱাৰি
নলীয়া কটাৰী ঘাপত
সাগৰ সিপাৰ হোৱাৰ সাহস
নকৰে বান্দৰে জাপত।।
নিগনি এটাই আকাশী পথত
নেদেখে উৰাৰ সপোন
নিজনি পানীয়ে নিজকে চাবলৈ
কদাপি নলয় দাপোণ।।
বাঁহৰ আগত নিজৰ বাহত
সুখত থাকিব চৰাই
কেঁকোৰা জনীয়ে ভূমুকি মাৰিব
গাঁতৰ মুখৰ পৰাই।।
মটৰ স্কুটাৰ বাটেদি নচলি
চলিব নোৱাৰে বিলত
কাঠৰ বদলি কটাৰী ধৰাও
এচটা চেপেটা শিলত।।
শিয়াল বিচাৰি গ'লেও নেপাবা
নদীৰ জাহাজ ঘাটত
কোনোবা দিনত বৰালী মাছক
পাবানে হাবিৰ গাঁতত ?

কান্দিলে-কাটিলে দেখিবা নিশ্চয়
কেঁচুৱা মাকৰ কোলাত
পুৰণি কালৰ নিচিনা এতিয়া
ৰজাক নেদেখা দোলাত।।
আহল-বহল পথাৰ শুৱনি
ধানৰ সোণালী ৰঙত
দাৱনী আহিছে কাচিৰে কাটিছে
নিজৰ মুঠিৰ ঢঙত।।
আজিৰ দিনৰ বহুতো মানুহে
নপঢ়ি-নুশুনি কিতাপ
ওপৰে ওপৰে মুখৰ কথাৰে
লভিব বিচাৰে খিতাপ।।
তিনিটা আখৰে সজাই লিখিলোঁ
কবিতা অথালি-পথালি
অকনি সমাজে পাৰিলে পঢ়িবা
নকৰি আজল-মঠালি।।

অথালি পথালি কবিতা — (ছয়)

লতিকা পেহীয়ে আনিলে ডালিম
কটাৰী এখনে সমানে ফালিম।
পুৱাতে পৰেহি এহালি শালিকা
চাবলৈ ওলায় অকণি তুলিকা।
যেতিয়া ককাই পঢ়িব বাতৰি
নকৰি কোৰ্হাল আহিবা আতৰি।
তীখৰে পুহিছে এজনী ছাগলী
বাটেদি যাওতে উৰিল বগলী।
উঠিছে গৰম মাৰিছে বিছনী
মালতী ভনীয়ে পঢ়িছে জীৱনী।
আঙুলি জোকাৰি পালেগৈ ধুবুৰী
দন্দুৰী ছোৱালী একেটা চুবুৰি।
উজুটি নেখায় ৰজাৰ দুৱৰি
ৰাণীয়ে বিনায় ৰজাক সুঁৱৰি।
ঘৰত ময়ূৰ নেদেখা সমূলি
কাকূতি মিনতি কৰিবা গধূলি।
কৃষক কৃষিত গাদীত নৃপতি
পুথিত কবিতা মুখত আবৃতি।
কেৰেলা বেঙেনা কাটিলে আবেলি
থেকেৰা খাবলৈ বহিল ভেবেলী।
টেঙৰী যদিও কেতেকী লেতেৰী
বাপেকে সাজিলে বেতৰ বেতেৰি।

আমৈয়ে কৰদৈ নেখায় দৈনিক
হিলৈৰে যুঁজিছে ৰজাৰ সৈনিক।
গোহালি ঘৰৰ চালত কোমোৰা
চুঙাৰ ফোঁপত সোমাল ভোমোৰা।
বাটত ঘূৰিছে নোদোকা ভোবোলা
সোৰোপা লোচনে নেডাঙে টোপোলা।
ভোজন উত্তম জোখৰ লোণত
গহণা-গাঁঠৰি শুৱনি সোণত।
কলমৌ খোৱাত নকৰে গৌৰৱ
নহয় কৌতুক এশটা কৌৰৱ।
দুফালে দুদাল নেগুৰ হাতীৰ
ককাৰ মৌখিক উত্তৰ নাতিৰ।
শৰৎ কালৰ পূজাৰ মহৎ
কয়লা খনিৰ উৎস বৃহৎ।
হিংসা নথকা শুকুলা হংস
সিংহ নহয় হাঁহৰ বংশ।
কলং সুঁতিৰ বহল দলং
তলত জিলিকে কাছৰ চলং।
ঘাঁহনি ডৰাত গাইছে হুঁচৰি
বহিছে দৰ্শক আহিছে চুঁচৰি।
নেথাকি মেজত ঢুলুকি বজাই
তিনিটা আখৰে শব্দক সজাই
লিখিলো পদ্যটো সুৰীয়া ছন্দত
আটায়ে পঢ়িবা কৰ'না বন্ধত।

❖❖❖❖❖

অথালি পথালি কবিতা — (সাত)

(১)

খোলত চাপৰ মাৰিলে বায়নে
ভাওনা আৰম্ভ হ'লত
দৰ্শক সকল বহাতে বহিল
হঠাতে লাইট গ'লত।

(২)

বিলৰ পানীত মাছৰ সবাহ
বৰালি সবাৰো আগত
কলীয়া মাগুৰে প্ৰসাদ বিলালে
কমকৈ পৰিলে ভাগত।

(৩)

হাতীৰ দেহাত পৰুৱা বগালে
ভাবিলে এইটো পাহাৰ
দিনৰ দিনটো বগায়ে থাকিল
একোকে নকৰি আহাৰ।

(৪)

পাৰৰ পোৱালি তাঁতত পৰিল
সূতাত লাগিল আউল
সেয়েহে খঙতে জেতুকী জেঠায়ে
খাবলৈ নিদিলে চাউল।

(৫)

পাথৰো হ'বগৈ কপাহ পাতল
কপাহো হ'বগৈ গধুৰ
ককাৰ মুখৰ ওলোটা ওভোতা
সোৱাদ আছিল সাধুৰ।

(৬)

বগাকৈ বগলী হোৱাত গধূলী
নবহি বিলৰ পাৰত
পাবলৈ উৰিছে নিজৰ বাহটো
পাহাৰ এটাৰ আঁৰত।

(৭)

বান্দৰ সোমাল দোকান খনত
আছিল পেটৰ ভোকত
একোতে নধৰি চিধাই ধৰিলে
জাহাজী কলৰ থোকত।

(৮)

মাছৰ পিঠিত দেখিবা বাকলি
কাছৰ পিঠিত চলং
ইপাৰ-সিপাৰ হ'বলৈ নদীৰ
ওপৰে দেখিবা দলং।

(৯)

সদায় পঢ়িবা বাতৰি কাকত
ৰাখিবা দেশৰ খবৰ
দীঘল কৰিব খুজিলে মইনা
দুহাতে টানিবা ৰবৰ।

❖❖❖❖❖

অথালি পথালি কবিতা — (আঠ)

আমাৰ জেঠাই পুতলী
মনটো আছিল উতলি
কৰোতে 'উলহ-মালহ'
ভাঙিলে মাটিৰ কলহ। (১)

বন্ধত মোমাই ঘৰত
পঢ়াত লাগিছে ভৰত
নকৰি 'উগুল-থুগুল'
বিষয় পঢ়িছে ভূগোল। (২)

বকুলী 'এলাই-জাবৰী'
বুটলি থাকোতে বাবৰি
দুৰ্গন্ধ লাগিলে নাকত
কৰিলে 'ওকট-পাকট'। (৩)

বদন 'টেটোন তামুলী'
বুদ্ধিত নহয় মামুলী
খেলোতে সদায়ে দলত
জিকিব বুদ্ধিৰ বলত। (৪)

নধৰি কোনোটো কামত
'ধোদৰ-পচলা' নামত
দিনৰ দিনটো ধনাই
ফুৰিব 'অনাই-বনাই'। (৫)

হ'লৈ ধৰিলে গধূলি
নেদেখে নিজৰ পদূলি
দিনত কাটিব পতুৱা
নগেন 'অলপ ধতুৱা'। (৬)

ফলিত নেপাতি অংক
এনেয়ে আছিল তংক
কৰোতে 'ওলট পালট'
চৰটো শোধালে গালত। (৭)

বাজিলে জুনুক জানাক
শুনিলো 'থুনুক-থানাক'
কাঁহত বাজিলে ঘিটিং
পাতিছে বিহুৰ মিটিং। (৮)

গেজেং ফুলিছে ঢাপৰ
ঢোলত মাৰিছে চাপৰ
পেলাই হাতৰ বিছনী
ওলাল দুজনী নাচনী। (৯)
ৰুবিতা লভিতা ববীতা
টুকুৰা-টুকুৰ কবিতা
লগতে আহিবা বিনন্দ
পঢ়িলে লভিবা আনন্দ। (১০)

❖❖❖❖❖

অথালি পথালি কবিতা — (ন)

চালত বগালে চালেদৈ কোমোৰ
তিয়হো বগালে জেঙত
ছিঙিব খোজোতে ভতুৰা কুকুৰে
কামুৰি ধৰিলে ঠেঙত। (১)
দিনৰ দিনটো মাটিকে খান্দিলে
নোলায় অকণো আহৰি
গধূলি বেলিকা ঘৰলৈ ওভতে
তেখেত মিষ্টাৰ গাহৰি। (২)
নালিয়া বোলাতো অতিকে দীঘল
আনিব পানীৰ মাগুৰ
ইফালে কলীয়া তাতোকৈ অধিক
ধৰিব বাঘৰ নেগুৰ। (৩)
কুকুৰা এটাক কুকুৰ জনীয়ে
ধৰিব খোজোতে থাপত
ঠেঙেৰে আঁচুৰি ঘৰৰ মুধলৈ
কুকুৰা উৰিল জাপত। (৪)
মিছিকি মুখেৰে শুকুলা সাজেৰে
দেহাটো ধুনীয়া শকত
পিন্ধনে উৰণে জাকত জিলিকা

তেখেত কতীয়া ভকত। (৫)
ইপাৰ সিপাৰ হ'বলৈ জানত
এখন বাঁহৰ দলং
দুমুৰে দুজন উঠিব লাগিলে
কৰিব ঢলং পলং। (৬)
ভঁৰাল ঘৰত আছিল সুখত
এমখা পোৱালি নিগনি
সোমাল এজনী নোমাল মেকুৰী
সিহঁতে তুলিলে বিননি। (৭)
নদীৰ পাৰত গছৰ ডালত
বগাকৈ বগলী চৰাই
আবেলি বেলিকা গ'লেই দেখিবা
জিলিকে দূৰৈৰ পৰাই। (৮)
সাজোনে কাছোনে বিলাতী ঢঙৰ
আমাৰ হাপানী চলিহা
ভাতৰ পাতত নহ'লে নহয়
মাছৰ নামত খলিহা। (৯)

❖❖❖❖❖